জ্ঞান শিষ্যক দিছিল। সেইবোৰ হ'ল - ধৰ্ম, ধৰ্মগ্ৰন্থ, তৰ্কশাস্ত্ৰ, সাহিত্য, যুদ্ধকাৰ্য্য, ধনুৰ্বিদ্যা, যুদ্ধ সঁজুলি নিৰ্মাণ, ঔষধ, জ্যোতিষ বিদ্যা, ইতিহাস, সংস্কৃত সাহিত্যৰ কাব্য, নাট, বৈজ্ঞানিক আৰু কাৰিকৰী জ্ঞান, দাৰ্শনিক তত্ব ইত্যাদি । হিন্দু ধৰ্মৰ ধৰ্ম গ্ৰন্থ মহাকাব্য সমূহ আছিল প্ৰাচীন শিক্ষাৰ প্ৰধান অঙ্গ। ইয়াৰ ভিতৰত বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত ইত্যাদি। বেদ চাৰিখনত মানৱ জীৱনত কৰণীয় বিভিন্ন কৰ্ম পন্থাৰ বৰ্ণনা আছে। বিশেষকৈ অৰণ্য, গছ, লতা আদিক সজীৱ আৰু তেজাল কৰি ৰখাৰ উদ্দেশ্যেৰে হোম, যাগ, যজ্ঞাদি অনুষ্ঠানবোৰৰ অৱতাৰণা কৰি ঘৃতাহুতি আৰু ধূপ-ধূনাৰ সুবাসেৰে এটি সুস্বাস্থিক পৰিবেশ গঢ়ি তোলাৰ লগতে জীৱ-জন্তু, প্ৰাণী সকলোৰে উন্নতি সাধনৰ বাবে অন্তৰেৰে কামনা কৰিছিল। আনপিনে উদাত্ত, অনুদাত্ত আৰু স্বৰিত স্বৰৰ দ্বাৰা বেদধ্বনিৰ ওঙ্কাৰ মন্ত্ৰেৰে শব্দ প্ৰদূষণ নিৰ্মূল কৰাৰ লগতে অন্তৰত গভীৰ প্ৰশান্তিৰ উদ্ৰেক কৰি অন্তৰাত্মাক সচেতন আৰু জাগ্ৰত কৰিবলৈ সক্ষম হৈছিল।

উপনিষদত 'ব্ৰহ্ম' অৰ্থাৎ সকলোৰে মূলশক্তি এক পৰমেশ্বৰৰ সম্বন্ধে আলোচনা কৰা হৈছে। ইন্দ্ৰ, প্ৰজাপতি, - মনু, অগ্নি, প্ৰাণ আদি বিভিন্ন নাম দি বিভিন্ন লোকে সেই পৰমেশ্বৰকে সূচনা কৰিছিল। কাৰণ ভাৰতবৰ্ষৰ চিন্তানায়ক ঋষিসকলে মননৰ যোগে উপলব্ধি কৰিছিল যে প্ৰেয়তকৈ শ্ৰেয়হে মানৱৰ কল্যাণৰ পথ। মানুহৰ প্ৰকৃত আৰু চিৰস্থায়ী কল্যাণ সাধন কৰ্মৰ দ্বাৰা হ'ব নোৱাৰে। জ্ঞানৰ দ্বাৰাহে সম্ভৱ হয় আৰু এই চিন্তাৰ ফলশ্ৰুতি হৈছে - উপনিষদ শাস্ত্ৰসমূহ। পৰমেশ্বৰক ব্ৰহ্ম বোলা হয়। ব্ৰহ্মবিদ্যাৰ নাম উপনিষদ যিসকল ব্ৰহ্ম বিদ্যাৰ ওচৰত উপস্থিত হৈ বিনীত ভাবে ইয়াৰ অনুশীলন কৰে আৰু তেওঁলোকৰ অৱিদ্যা প্ৰকৃতিক বিনাশ কৰে, তাকে উপনিষদ বোলে। শিষ্যসকলে গুৰুৰ ওচৰত গৈ য'ত বহিছিল সেই ক্ষুদ্ৰ ক্ষুদ্ৰ বৈঠকৰ নাম উপনিষদ। জীৱ, জগৎ আৰু ঈশ্বৰ আদি দৰ্শনৰ বিষয়বোৰেই উপনিষদৰো বিষয়। মুঠতে উপনিষদৰ মূল কথা হৈছে ব্ৰহ্মসত্য, জগৎ মিথ্যা, জীৱ আৰু ব্ৰহ্ম অভেদ, ব্ৰহ্মত্ব প্ৰাপ্তিয়েই জীৱৰ চৰম লক্ষ্য আৰু জ্ঞানৰ দ্বাৰা ব্ৰহ্মপ্ৰাপ্তি হয়। জীৱই নিজ কৰ্ম অনুযায়ী পুনৰ জন্ম লাভ কৰে। অৰ্থাৎ কৰ্ম ফলবাদ আৰু জন্মান্তৰবাদ ভাৰতীয় হিন্দু দৰ্শনত তথা উপনিষদত বিশ্বাস কৰা হয়। শিষ্যসকলক এনে দৰ্শনৰ জ্ঞান দিয়া হয়।

পৃথিৱীৰ দুটা জাতিৰ মাজতে খুব সম্ভৱ মহাকাব্য ৰচিত হৈছিল। ভাৰতবৰ্ষত হিন্দু ধৰ্মৰ "ৰামায়ণ" আৰু "মহাভাৰত" আৰু গ্ৰীছত গ্ৰীকসকলৰ হোমাৰৰ দ্বাৰা ৰচিত যুদ্ধ বিষয়ক মহাকাব্য "ইলিয়াদ" আৰু "ওডিছি" । বাল্মীকি ৰচিত "ৰামায়ণ" (খৃঃপূঃ ৮০০ মান) মহাকাব্যত বাল্মীকি ঋষিয়ে সীতা যেতিয়া বাল্মীকিৰ আশ্ৰয়ত থাকি আশ্ৰমত লৱ-কুশক জন্ম দিছিল ঋষিয়ে লৱ-কুশক সকলো শিক্ষা দিয়াৰ উপৰিও ৰামৰ জন্মৰ পৰা সীতা পাতাললৈ যোৱালৈকে সকলো কাহিনী লৱ-কুশক কৈছিল। মানুহৰ প্ৰকৃত কৰ্ম আৰু ধৰ্মৰ ওপৰত গুৰুত্ব দিয়া টোৱে মানৱ জীৱনৰ উদ্দেশ্য হ'ব লাগে; এই কথাবোৰো ইয়াত উপলব্ধি হৈছে। লৱ-কুশক ধনু বিদ্যাতো বাল্মীকিয়ে পাৰদৰ্শী কৰি তুলিছিল। এনেকুৱা পাৰদৰ্শী কৰিছিল আনকি ৰামৰ যজ্ঞৰ ঘোঁৰা বান্ধি থৈ লৱ-কুশই লক্ষ্মণৰ আৰু পিতৃ-ৰামৰ লগত যুদ্ধ কৰিছিল। শেষত ৰাম ৰাৱণৰ যুদ্ধৰ মাজেৰে ৰাম ৰূপী ন্যায়ৰ তথা ধৰ্মৰ জয় আৰু ৰাৱণ ৰূপী অন্যায় তথা অধৰ্মৰ পৰাজয় দেখুওৱা হৈছে।

সেইদৰে মহাভাৰত (অষ্টম শতিকা) ত বৰ্ণিত হৈছে মানৱ জীৱনৰ উদ্দেশ্য, কৰ্তব্য, স্বাধীনতা, আনন্দ আদি প্ৰাপ্তিৰ উপায়। ইয়াত দেখুওৱা হৈছে ব্যক্তিৰ লগত সমাজৰ সম্বন্ধ, প্ৰকৃতিৰ লগত ব্যক্তিৰ নিবিড় সম্পৰ্ক তথা কৰ্ম সংস্কৃতিৰ কথা। "কুৰুক্ষেত্ৰ" যুদ্ধৰ সময়ত অৰ্জুনে যেতিয়া যুদ্ধ নকৰো বুলি কৃষ্ণক দৃঢ় ভাবে কৈছিল তেতিয়া কৃষ্ণই অৰ্জুনক বুজাইছিল যে কুৰুক্ষেত্ৰ যুদ্ধ হ'ল অধৰ্মৰ বিৰুদ্ধে ধৰ্মৰ জয়, অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ প্ৰতিষ্ঠা। এই যুদ্ধ নহ'লে পৃথিৱীত সত্য তথা ন্যায় বা ধৰ্মৰ জয় নহ'ব। সদায় অসত্য, অন্যায় আৰু অধৰ্মৰ ৰাজত্ব চলিব। দুনীতি আৰু দুষ্কৃতিয়ে সমাজ ধ্বংস কৰিব। পৃথিৱীত ভগৱানৰ আৱিৰ্ভাৱ যুগে যুগে সেইবাবে হয় যাতে সত্য, তথা ন্যায় আৰু ধৰ্মৰ জয় হয় আৰু অধৰ্ম, অসত্য, অন্যায়ৰ পৰাজয় হয়। কুৰুক্ষেত্ৰ মহাসমৰত সেয়ে কৃষ্ণই অৰ্জুনক কৈছে -

যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজম্যহম্।।
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুস্কৃতাম্
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে ।।

কৃষ্ণই আকৌ কৈছে মনুষ্যৰ ধৰ্ম হ'ল কৰ্ম। কৰ্মতহে আমাৰ অধিকাৰ ফলত নহয়। কৰ্ম কৰি যোৱা ফল যি হয় হ'ব -
"কৰ্মেণ্য ৱাধি কাৰাস্তে মা ফলেষু কদাচন্।।"

ভাৰতীয় দৰ্শনে কৰ্ম ফলত বিশ্বাস কৰে। ব্যক্তিয়ে নিজৰ কৰ্ম অনুযায়ী ফল ভোগ কৰে। ন্যায় ধৰ্ম মতে চলিলে ব্যক্তিয়ে জীৱনত সাফল্য লাভ কৰিবই। অন্যায় আৰু অধৰ্মত থাকিলে

তিল তিলকৈ নৰকত শাস্তি খাব লাগিব। এই পৰম সত্য কুৰুক্ষেত্ৰ ধৰ্ম যুদ্ধৰ মাজেৰে মহাভাৰতত দেখুওৱা হৈছে। এই সত্য সমূহ গুৰুৱে শিষ্য সকলৰ আগত দাঙি ধৰিছিল আৰু ধৰ্নুবিদ্যাত শিষ্য সকলক পাৰ্গত কৰি তুলিছিল; কাৰণ যুদ্ধ কৰা হ'ল ক্ষত্ৰিয়ৰ প্ৰধান কৰ্ম।

মহাভাৰতত গুৰু দ্ৰোণাচাৰ্য্য আছিল কৌৰৱ আৰু পাণ্ডৱৰ শিক্ষাগুৰু। দ্ৰোণাচাৰ্য্যই এশ কৌৰৱ আৰু পাঁচ পাণ্ডৱক আৰু নিজৰ পুত্ৰ অশ্বথামাক ধৰ্নুবিদ্যা শিকাইছিল। কিন্তু বিদ্যা সমাপ্ত হোৱাৰ পিছত যেতিয়া গুৰু দ্ৰোণাচাৰ্য্যই পৰীক্ষা লৈছিল। সেই পৰীক্ষাত অকল অৰ্জুনহে সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল । অৰ্জুনৰ প্ৰতিভা দেখি গুৰু দ্ৰোণ মুগ্ধ হৈছিল আৰু প্ৰতিজ্ঞা কৰিছিল যে পৃথিৱীৰ ভিতৰত অৰ্জুনহে হ'ব শ্ৰেষ্ঠ ধৰ্নুধাৰী বীৰ। তেওঁৰ সমান বীৰ আৰু কোনো নাথাকিব। আনফালে নিষাদ ৰজা হিৰণ্য ধনুৰ পুত্ৰ একলব্যৰ দ্ৰোণাচাৰ্যৰ ওচৰত ধৰ্নুবিদ্যা শিকিবৰ খুব মন। এদিন পিতৃৰ লগত একলব্য দ্ৰোণাচাৰ্য্যৰ ওচৰলৈ আহি প্ৰণাম কৰি তেওঁৰ ইচ্ছাৰ কথা জনালে। দ্ৰোণাচাৰ্য্যই ক'লে যে নীচ জাতিৰ সন্তানক তেওঁ ক্ষত্ৰিয়ৰ লগত একেলগে শিক্ষা দিব নোৱাৰে। গতিকে তেওঁ উভতি যোৱাই ভাল। একলব্য হতাশ নহৈ পুনৰ গুৰুক প্ৰণাম কৰি ঘৰলৈ উভতি আহিল। অৰণ্যত দ্ৰোণাচাৰ্য্যৰ এটি মূৰ্তি নিৰ্মাণ কৰি একান্তমনে সাধনা কৰি ধনুৰ্বিদ্যা শিকিবলৈ ধৰিলে। নিজৰ দেহ অস্থি চৰ্মসাৰ হ'ল তথাপি একলব্যই অৰণ্যত সাধনা কৰিবলৈ নেৰিলে। এদিন সেই অৰণ্যত পাণ্ডৱসকলে বিচৰণ কৰি থাকোতে এটা কুকুৰে ভুক ভুকাই একলব্যৰ সাধনাত ব্যাঘাত জন্মাইছিল। তেতিয়াই একলব্যই কাঁড় মাৰি কুকুৰটোৰ মুখখন বন্ধ কৰিলে। অজুৰ্নে কুকুৰটোৰ অৱস্থা দেখি আচৰিত হ'ল আৰু সেই কামটো কোনে কৰিব পাৰে তাৰ অনুসন্ধান কৰিবলৈ ধৰিলে। অৰ্জুনৰ হঠাতে একলব্যৰ ক্ষীণকায় দেহটো চকুত পৰিল আৰু তেওঁৰে এই কামটো কৰিছে নেকি জানিবলৈ বিচাৰিলে। তেতিয়া একলব্যই ক'লে যে তেওঁৰে গুৰু দ্ৰোণাচাৰ্য্যৰ ওচৰত শিক্ষা লৈ এই বিদ্যাটো আয়ত্ব কৰিছে। অভিমানী অৰ্জুনে উভতি আহি দ্ৰোণাচাৰ্য্যক সকলো কথা কোৱাত তেওঁ আচৰিত হৈ ক'লে যে তেওঁটো একলব্যক বিমুখ কৰি শিক্ষা নিদিয়াকৈ ওভতাই পঠিয়াইছিল গতিকে কেনেকৈ এইটো সম্ভৱ হ'ল ! গুৰু দ্ৰোণে অৰ্জুনৰ লগত অৰণ্যলৈ গৈ সকলো কথাৰ বুজ ল'লে। একলব্যই তেওঁৰ চকুৰ সম্মুখত গুৰু দ্ৰোণাচাৰ্যক সোঁ-শৰীৰে দেখি অভিভূত হ'ল আৰু প্ৰণাম কৰিলে। তেতিয়া গুৰু দ্ৰোণে ক'লে যে যদি তেওঁ দ্ৰোণাচাৰ্য্যক গুৰু বুলি মানিছে তেতিয়া হ'লে তেওঁ গুৰু দক্ষিণা দিব লাগে। একলব্যই সুধিলে গুৰুদেৱ আপুনি কি বিচাৰে ? তেতিয়া গুৰু দ্ৰোণে ক'লে তোমাৰ সোঁহাতৰ বুঢ়া আঙুলিটো কাটি মোক গুৰু দক্ষিণা দিয়া। গুৰুৰ এনে নিষ্ঠুৰ কথাত একলব্য আচৰিত হ'ল যদিও অতি আনন্দেৰে কাঁড় মাৰি আঙুলিটো কাটি গুৰুৰ হাতত দিলে। একলব্যৰ গুৰু ভক্তি দেখি গুৰু দ্ৰোণ অভিভূত হ'ল আৰু তেওঁক আশীৰ্বাদ দিলে।

গুৰু দ্ৰোণাচাৰ্য্য আৰু একলব্যক এই কাহিনী টোৰ পৰা প্ৰাচীন সমাজ ব্যৱস্থাত থকা উচ্চ আৰু নিম্ন জাতিৰ মানুহৰ মাজত থকা জাত্যাভিমানৰ মিছা অহংকাৰ, গুৰু-শিষ্যৰ মাজত থকা স্বাৰ্থান্বেষী মনোভাব আৰু বৈষম্য প্ৰকাশ পাইছে। অৱশ্যে এইটো সচাঁ যে একলব্যই গুৰুক নোসোধাকৈ তেওঁৰ মূৰ্ত্তি সাজি শিক্ষা লোৱাটো অনুচিত হৈছে। কিন্তু গুৰু দ্ৰোণাচাৰ্য্যৰ দোষৰ অনুপাতে একলব্যৰ দোষ তেনেই সামান্য। গুৰু দক্ষিণাৰ নামত গুৰুৱে একলব্যৰ প্ৰতি যি নিষ্ঠুৰ ব্যৱহাৰ কৰিলে সেয়া সমগ্ৰ গুৰু সমাজৰ বাবে এক কলংকিত অধ্যায় হৈ থাকিল। লঘূ দোষত একলব্যক গুৰু শাস্তি দিয়া হ'ল ; একমাত্ৰ গুৰুৰ নিজৰ স্বাৰ্থান্বেষী মনোভাব তথা অৰ্জুনক দিয়া প্ৰতিজ্ঞা ৰক্ষাৰ বাবে এয়া কৰিব লগা হ'ল। গুৰুকুল শিক্ষা ব্যৱস্থাৰ এয়া এক নেতিবাচক দিশ।

গুৰু শিষ্যৰ পৰম্পৰাৰ আন এটি দুখ লগা কাহিনী হ'ল -গুৰু পৰশুৰাম আৰু শিষ্য কৰ্ণৰ । পৰশুৰাম আছিল ঘোৰ ক্ষত্ৰিয় বিৰোধী । পৃথিৱীত থকা সকলো ক্ষত্ৰিয়কে তেওঁ নিধন কৰিব বিচাৰিছিল। কৰ্ণই এই কথা জানিছিল কিন্তু পৰশুৰামৰ পৰা তেওঁ ধনুৰ্বিদ্যা শিকিবলৈ খুব মন কৰিছিল। সেইবাবে নিজকে ব্ৰাহ্মণ বুলি পৰিচয় দি পৰশুৰামৰ পৰা কৰ্ণই অস্ত্ৰবিদ্যা শিকিবলৈ ধৰিলে। এদিন গছৰ তলত বহি থাকোতে গুৰুৰ টোপনি ধৰাত কৰ্ণৰ কোলাত মূৰ থৈ গুৰু পৰশুৰামৰ ঘোৰ টোপনি আহিল। হঠাতে এটা বিষাক্ত পোকে কৰ্ণৰ উৰুত কামুৰি দিলে। পোকৰ কামোৰৰ বিষত কৰ্ণৰ জীৱ উৰি যোৱাৰ উপক্ৰম হ'ল আৰু ধাৰাসাৰে তেজ ববলৈ ধৰিলে। তথাপি কৰ্ণই গুৰুৰ টোপনি ভাঙিব বুলি একো নকৰি তেনেকৈ সহ্য কৰি বহি থাকিল । হঠাৎ কিবা ঠাণ্ডা লগা যেন অনুভৱ কৰি গুৰুৱে সন্মুখত চাৰিওফালে তেজ দেখিলে । কৰ্ণৰ এই সহ্য কৰা গুণ দেখি গুৰু পৰশুৰামে বুজিলে যে অকল ক্ষত্ৰিয়ৰহে এনে দুখ সহ্য কৰিব পৰা শক্তি আছে; গতিকে তেওঁ নিশ্চিত হ'ল যে কৰ্ণই

তেওঁক মিছাকৈ ব্ৰাহ্মণ বুলি পৰিচয় দি অস্ত্ৰবিদ্যা শিকিছে। এই কথা জনাত পৰশুৰামৰ খুব খং উঠিল আৰু গুৰুক মিছা কথা কোৱা বাবে কৰ্ণক অভিশাপ দিলে যে জীৱনৰ যিটো সময়ত তেওঁৰ আটাইতকৈ অস্ত্ৰৰ প্ৰয়োজন হ'ব সেই সময়তে তেওঁ অস্ত্ৰহীন হ'ব আৰু তেওঁৰ ৰথৰ চকা সেদিনীয়ে গ্ৰাস কৰিব। কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত সন্মুখ সমৰত কৰ্ণৰ লগত মুখামুখি হওঁতে হঠাতে তেওঁৰ ৰথৰ চকা তললৈ সোমাই হ'ল আৰু অৰ্জুনৰ লগত যুদ্ধ কৰোতে অস্ত্ৰও নাইকীয়া হৈ পৰিল। তেনে সময়তে নিৰস্ত্ৰ কৰ্ণক অৰ্জুনে বধ কৰিলে আৰু গুৰু পৰশুৰামৰ অভিশাপো ফলিয়ালে। গুৰু অভিশাপ কেতিয়াও খণ্ডন নহৈছিল । ইয়াৰ পৰা এইটো শিষ্যসকলক শিক্ষা দিয়া হৈছিল যে সত্যৰ অবিহনে জীৱনত সফলতা আধৰুৱা হ'ব আৰু গুৰুক ফাঁকি দিলে তাৰ ফলো বিষময় হ'বই ই নিশ্চিত।

আনহাতে উপনিষদত আমি গুৰু শিষ্যৰ অটুট বিশ্বাস আৰু আত্মিক সম্বন্ধ তথা সফলতাৰ এটা সুন্দৰ উদাহৰণ দেখিবলৈ পাওঁ উপমন্যু আৰু তেওঁৰ গুৰু আয়োধাম্যৰ মাজেৰে। গুৰু আয়োধাম্যই উপমন্যুৰ গুৰু ভক্তিৰ প্ৰমাণ চাবলৈ তেওঁক কেইদিন মান একো খাদ্য বস্তু নাখাবলৈ ক'লে। উপমন্যুই ভোক লগাত গৰুৰ ওহাৰৰ পৰা গাখীৰ আৰু তাৰ পিছত দামুৰিয়ে গাখীৰ খোৱাৰ পিছত মুখত লাগি থকা ফেনবোৰ খাইছিল। গুৰুৱে মানা কৰাত তাকো বাদ দিলে। শেষত ভোকত থাকিব নোৱাৰি আকণৰ পাত খাই অন্ধ হৈ কুঁৱা এটাত ৰাতিটো পৰি থাকিল। উপমন্যু গুৰু গৃহলৈ উভতি নহাত গুৰু চিন্তিত হৈ লগৰীয়াবোৰক সোধোতে গোটেই কথাখিনি গুৰুক ক'লে । গুৰুৱে তেতিয়া শিষ্যসকলৰ লগত বিচাৰি গৈ উপমন্যুক কুঁৱাৰ পৰা উদ্ধাৰ কৰি আনিলে। কিন্তু উপমন্যু অসুস্থ আৰু অন্ধ হৈ থকাত বেজে তেওঁক ঔষধ খাবলৈ কোৱাত গুৰুক নোসোধাকৈ ঔষধো খাবলৈ নিবিচাৰিলে। গুৰুৱে কোৱাতহে ঔষধ খালে আৰু উপমন্যু সুস্থ হৈ উঠিল। উপমন্যুৰ এনে গুৰু ভক্তি দেখি গুৰু আয়োধাম্যই তেওঁক আশীৰ্বাদ দিলে যে তেওঁ এজন সৎ ঋষি বুলি জগতত বিখ্যাত হ'ব আৰু কোনো শাস্ত্ৰ অধ্যয়ণ নকৰাকৈ তেওঁ শাস্ত্ৰজ্ঞ পণ্ডিত হ'ব, তেওঁ নজনা কথা একো নাথাকিব। সঁচাকৈ গুৰুৰ এই আশীৰ্বাদ আখৰে আখৰে ফলিয়াইছিল । জগতত উপমন্যুৰ জ্ঞানৰ গৰিমা আৰু সততাৰ খ্যাতি চাৰিওফালে বিয়পি পৰিছিল।

উপৰি উক্ত আলোচনাৰ পৰা আমি এই কথা উপলব্ধি কৰিব পাৰো যে গুৰুসকলক শিষ্যসকলে

"গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰদেৱ মহেশ্বৰ
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰী গুৰুৱে নমঃ"

গুৰুক ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু পৰম ব্ৰহ্ম বুলি সেৱা কৰিছিল। যিয়ে গুৰুক এইদৰে ভক্তি কৰিছিল সেই শিষ্যই জীৱনত সফলতাও লাভ কৰিবলৈ সক্ষম হৈছিল। গুৰুৰ আশীৰ্বাদেই আছিল শিষ্য সকলৰ জীৱন গঢ়াৰ মূল মন্ত্ৰ আৰু সাফল্যৰ চাবি কাঠি।

পৰবৰ্ত্তী কালত ভাৰত বৰ্ষত যিবোৰ প্ৰাচীন বিশ্ববিদ্যালয় গঢ়ি উঠিছিল সেই বিশ্ববিদ্যালয়বোৰৰ শিক্ষা ব্যৱস্থাৰ লগত গুৰুকুল শিক্ষা ব্যৱস্থাৰ কিছু সাদৃশ্য আছে। নালন্দা, তক্ষশিলা, উজ্জয়িনী, বিক্ৰমশিলা আদি বিশ্ববিদ্যালয়বোৰতো সাহিত্য, দৰ্শন, ইতিহাস, অৰ্থশাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ বিজ্ঞান, কলা, শৰীৰ চৰ্চা আদি চৌষষ্ঠি কলাৰ বিভিন্ন শিক্ষা দিয়া হৈছিল। বিক্ৰমশীলা বৌদ্ধ ধৰ্মৰ শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছিল। হিন্দু "বেদ" "উপনিষদ"ৰ লগত বৌদ্ধৰ "ত্ৰিপিটক"ৰ বহুত সাদৃশ্য আছে। বৌদ্ধ দৰ্শনত আছে "অসতো মা সদ্গময়
তমসো মা জ্যোৰ্তিগময়
মৃত্যো মা অমৃতং গময়

দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে তেওঁৰ "Individual cries of Upanishada" গ্ৰন্থত সেই একেই কথাকেই কৈছে -

"Lead me from the unreal to neal
Lead me from the darkness to light
Lead me from the death to elarnal"

অবাস্তৱৰ পৰা বাস্তৱলৈ, মায়াভৰা অন্ধকাৰৰ পৰা আলোকলৈ, পাৰ্থিৱ মৃত্যুৰ পৰা শ্বাশ্বত জীৱনলৈ বাট দেখুৱাই লৈ যাবলৈ পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে। হিন্দু ধৰ্মত ব্ৰহ্মত্ব প্ৰাপ্তি লাভ কৰাই হ'ল মুক্তি যাক "স্বৰ্গ প্ৰাপ্তি" বুলিও কোৱা হৈছে। আনহাতে বৌদ্ধ ধৰ্মত মোক্ষ বা নিৰ্বাণ লাভেই হ'ল মূল তত্ত্ব। বৌদ্ধ ধৰ্মত শিষ্যসকলক ভিক্ষু বুলি কোৱা হয়। দুবেলা খাবৰ বাবে দুবাৰ ভিক্ষা কৰিব লাগে। ভিক্ষুসকলে অষ্টমাৰ্গ জয় কৰিব পাৰিলে "মোক্ষ " বা "নিৰ্বাণ" লাভৰ পথ উজু হয়। যিসকল ব্যক্তি সংসাৰৰ বিষয় বাসনাৰ পৰা অনাসক্ত হৈ থাকে সেই ব্যক্তি সকলেই অপ্ৰমাদী, আৰু সংসাৰৰ মায়ামোহত অন্ধ হৈ বিষয় বাসনাত আসক্ত হৈ থকা ব্যক্তি সকল প্ৰমাদী , এনেকুৱা ব্যক্তি জীৱন্ততে মৃত সদৃশ -

"অপ্ৰমাদ ঃ অমৃতপদং প্ৰমাদো মৃতোঃ পদম।
অপ্ৰমত্তাঃ ন ম্ৰিয়ন্তে যে প্ৰমত্তাঃ যথা মৃতা।।"

আধুনিক শিক্ষা ব্যৱস্থা ঃ আধুনিক শিক্ষা ব্যৱস্থাত ভাৰতীয় সংবিধানে সকলো ব্যক্তিৰে শিক্ষাৰ সমান অধিকাৰ সাব্যস্ত কৰিছে। প্ৰাচীন যুগৰ জাত্যাভিমানৰ গোড়ামি আৰু বৈষম্যই আজিৰ একবিংশ শতিকাক স্পৰ্শ কৰিব নোৱাৰে। চৰকাৰী, বেচৰকাৰী সকলো শিক্ষানুষ্ঠাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ণ কৰিব পাৰে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নত কলাকৌশলৰ দ্বাৰা আজিৰ উচ্চ শিক্ষাৰ জগত খন বহুদূৰ আগবাঢ়ি গৈছে। নতুন নতুন বৈজ্ঞানিক তথ্য আৱিষ্কাৰ আৰু গৱেষণা হৈ আছে। সেই অনুপাতে উচ্চ শিক্ষা এতিয়া সকলোৰে বাবে সহজ লভ্য হৈ থকা নাই। আৰ্থিক ভাবে পিছপৰা শ্ৰেণীৰ মানুহৰ ল'ৰা ছোৱালীৰ বাবে উচ্চ শিক্ষা গ্ৰহণ কৰাটো এক প্ৰকাৰ জটিল হৈ পৰিছে। বিশ্বায়নৰ টৌৱে মানৱ জীৱনৰ সকলো ক্ষেত্ৰতে সমাজ, সংস্কৃতি, শিক্ষা, সাজ-পোছাক, আহাৰ-বিহাৰ আদি সকলোতে পৰিবৰ্তনৰ জোৱাৰে স্পৰ্শ কৰিছে। শিক্ষাৰ উদ্দেশ্যও বহুত সলনি হৈছে। শিক্ষা আৰু জ্ঞানৰ মাজত এতিয়া বহুত প্ৰভেদ দেখা যায়। পুৰণি কালত এগৰাকী ব্যক্তিয়ে শিক্ষা গ্ৰহণ আৰু জ্ঞান অৰ্জন একেলগে আয়ত্ব কৰিছিল। এগৰাকী ব্যক্তিৰ আনুষ্ঠানিক শিক্ষা বা ডিগ্ৰী নাথাকিলেও তেওঁ জ্ঞানী হ'ব পাৰে। আনহাতে কোনো ব্যক্তি উচ্চ ডিগ্ৰী ধাৰী হ'লেও তেওঁ জ্ঞানী নহ'ব পাৰে। এই বৈষম্য আজিৰ সমাজত বাৰুকৈয়ে পৰিলক্ষিত হয়। আনহাতে এতিয়া শিক্ষা ব্যৱস্থা পৰীক্ষাকেন্দ্ৰিক হোৱা বাবে ছাত্ৰ-ছাত্ৰীসকলে কেইটামান নম্বৰৰ পিছে পিছে দৌৰে, জ্ঞান আহৰণৰ কথাটো তল পৰি থকে। দৌৰাটোও স্বাভাৱিক; ছাত্ৰ-ছাত্ৰীক দোষ দিলেনো কি হ'ব ! পৰীক্ষাত বেছি নম্বৰ নাপালে উচ্চ শিক্ষা লববৈলে ক'তো নাম ভৰ্ত্তি কৰিব নোৱাৰে আৰু ভাল চাকৰিও নাপায়। আজিৰ শিক্ষাব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক ভাবিবলৈ বাধ্য কৰিছে জ্ঞানৰ চিন্তাতকৈ পেটৰ অন্ন চিন্তাহে প্ৰধান। গতিকে হা পেট, হা অন্ন কৰি থাকোঁতে জ্ঞান আহৰণৰ কথা ক'ৰবাতে বৈ যায়। অৱশ্যে বিশ্বায়নৰ যুগত প্ৰতিযোগিতাৰ দৌৰত অকল অধ্যয়নে নহয় আন আন প্ৰতিভাসমূহ থকাটোও দৰ্কাৰ। চিত্ৰাংকণ, ভাস্কৰ্য্য, সংগীত, মৃত্য, বাদ্য আদি সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা লাভ কৰিলেহে আজিৰ পৃথিৱীত তিষ্ঠি থকাটোও সম্ভৱ। কাৰণ এতিয়া "All round development"ৰ (সৰ্বাত্মক বিকাশ) যুগ। যিসকলে নিজকে সকলো দিশৰ পৰা উপযুক্ত কৰি গঢ়ি তুলিব পাৰিব তেওঁহে এই যুগত তিষ্ঠি থাকিব পাৰিব। (Survival of the Fittest) অন্যথা নিজৰ অস্তিত্ব বিপদাপন্ন হ'ব আৰু এই পৃথিৱীত ভালদৰে জীয়াই থকাটো অসম্ভৱ হৈ পৰিব।

মতামত ঃ অৱশ্যে আমি এটা কথা স্বীকাৰ কৰিব লাগিব যে যিমানেই ব্যক্তিৰ সৰ্বাত্মক বিকাশ নহওঁক কিয় একবিংশ শতিকাৰ সমাজ ব্যৱস্থাত কিন্তু নৈতিক মূল্যবোধ লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে। প্ৰাচীন শিক্ষা ব্যৱস্থাৰ নীতি-আদৰ্শ মূল্যবোধ আদিৰ যথেষ্ট অৱক্ষয় হৈছে। উচ্চ শিক্ষা, ডিগ্ৰী ধাৰী লোক লাখে লাখে আৱিষ্কাৰ হৈছে যদিও প্ৰকৃত জ্ঞান আৰু মূল্যবোধ সম্পন্ন শিক্ষাৰ সমল বিচাৰিলে সি এপাচি শাকত এটা জালুক বিচৰাৰ দৰে হ'ব । যান্ত্ৰিকতাৰ পিছে পিছে দৌৰি নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ যাওঁতে আমি যেন ক'ৰবাত উজুটি খাইছো ; যাৰ বাবে দিনে দিনে আমাৰ মাজৰ পৰা "মানৱতা" নোহোৱা হৈ হৃদয়হীনতাই আমাক গ্ৰাস কৰি পেলাইছে। ইয়াৰ ফলস্বৰূপে উচ্ছৃংখলতা, হতাশ গ্ৰস্ততাই আমাৰ মগজুক হিতাহিত জ্ঞান শূণ্য কৰি অমানুহত পৰিণত কৰিছে। নিজ চকুৰ আগত ঘটি থকা ঘটনাবোৰে (হত্যা, ধৰ্ষণ, লুণ্ঠন, অপহৰণ) ইয়াৰ সাক্ষ্য প্ৰমাণ নহয় জানো!!!

তাহানিৰ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল - "ৰূপান্তৰেহে জগৎ ধুনীয়া কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।" শিল্পী গৰাকীৰ লগত সুৰ মিলাই আমিও ক'ব পাৰো পৰিবৰ্তনশীলতাই জগতৰ ধৰ্ম। কিন্তু পৰিবৰ্তন মানে আনক দেখি নিজৰ চেহেৰা সম্পূৰ্ণ সলনি কৰি (নীলা শিয়ালৰ দৰে) কিম্ভুত কিমাকাৰ ৰূপ ধৰি আনৰ হাঁহিয়াতৰ পাত্ৰ হোৱাৰ বাহিৰে আন কি হ'ব । পৰিবৰ্তন মানেই হ'ল পৰম্পৰা আৰু ঐতিহ্যৰ লগত সংগতি ৰাখি পুৰণি ধ্যান ধাৰণা কিছু সংস্কাৰ কৰি নতুন ধ্যান ধাৰণাৰ সংমিশ্ৰণ। পৰিবৰ্তন মানেই পাশ্চাত্যৰ ধামখুমীয়াত উটি ভাঁহি স্বকীয়তা বিসৰ্জন দিয়াটো নুবুজায়। আনৰ পৰা গ্ৰহণ বৰ্জনৰ মাজেৰে নিজস্ব ভাষা, সাহিত্য, সংস্কৃতি জীয়াই ৰাখি বিশ্বৰ দৰবাৰত উন্নত পৰ্যায়লৈ লৈ যাবলৈ কি পদক্ষেপ লব লাগিব সেয়া আজিৰ পৰিপ্ৰেক্ষাত এক বিচাৰ্য্যৰ বিষয়। সাহিত্যৰথী বেজবৰুৱাই কৈছিল ইংৰাজী শিকিবলৈ বিদেশলৈ গৈ চুট-টাই পৰিধান কৰি চাহাব হ'বলৈ গৈ নিজস্ব পৰিচয় বিসৰ্জন দিয়াজনৰ শিক্ষাৰ কোনো মূল্য নাই। নিজৰ মাটিত থাকিও গামোচা পিন্ধিও ইংৰাজী শিক্ষা গ্ৰহণ কৰিব পাৰি, তাৰ বাবে ইংৰাজ ভদ্ৰলোক হোৱাৰ দৰকাৰ নাই, নিজৰ আদৰ্শ আৰু মূল্যবোধৰ লগত কেতিয়াও আপোচ কৰিব

নালাগে। এই শিক্ষা ঊনবিংশ শতিকাতে বেজবৰুৱাই তেওঁৰ সমগ্ৰ সাহিত্য ৰজিৰ মাজেৰে দি গৈছে। বিশেষকৈ তেওঁৰ অমূল্য গ্ৰন্থ "বাখৰ", "থুপিতৰা" আৰু "কামত কৃতিত্ব লভিবৰ সংকেত" গ্ৰন্থ কেইখন আজিৰ নৱ প্ৰজন্মৰ বাবে অত্যন্ত হিতকাৰী গ্ৰন্থ। যথেষ্ট মূল্যবোধৰ সমল এই অকণমানি গ্ৰন্থকেইখনত পুঞ্জীভূত হৈ আছে। তেওঁৰ নিজৰ জীৱন দৰ্শনেই উৎকৃষ্ট উদাহৰণ।

আজিৰ সমাজ ব্যৱস্থাত আমি এই কথা ভাবিব নোৱাৰো নে ! যি শিক্ষা প্ৰাচীন গুৰুকুল শিক্ষা ব্যৱস্থাত দিয়া হৈছিল য'ত আছিল নৈতিক মূল্যবোধ, শৰীৰ চৰ্চা, জাতীয় ঐতিহ্য, পৰম্পৰা, বিশ্বাস, এক শান্ত স্নিগ্ধ প্ৰাকৃতিক পৰিবেশত মুকলিমুৰীয়াকৈ ব্যৱহাৰিক জীৱনৰ সকলো শিক্ষা শিষ্যই গুৰুৰ পৰা গ্ৰহণ কৰিছিল। যিবোৰ শিক্ষা প্ৰাচীন কালৰ বিশ্ববিদ্যালয়বোৰত দিয়া হৈছিল। বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ আছিল এগৰাকী প্ৰকৃতিবাদী দাৰ্শনিক সাহিত্যিক। কবি গৰাকীয়ে এই কথা উপলব্ধি কৰিছিল যাৰ বাবে তেওঁ গুৰুকুল আৰ্হিত শান্তি নিকেতনত "বিশ্ব ভাৰতী" বিশ্ববিদ্যালয় স্থাপন কৰিছিল। পৰৱৰ্তী কালত ভাৰতবৰ্ষৰ বহু পণ্ডিত ব্যক্তিয়ে এই বিশ্ববিদ্যালয়ত অধ্যয়ণ কৰি ধন্য মানিছিল। কবিগুৰু গৰাকীৰ এই চিন্তাশীল সৃষ্টিৰাজি সঁচাকৈয়ে অতি প্ৰশংসনীয় শিল্পকৰ্ম। আনহাতে ভাৰতবৰ্ষৰ প্ৰাচীন বিশ্ববিদ্যালয় বোৰত (আগত উল্লিখিত) শিক্ষা ব্যৱস্থাত থকা চৌষষ্ঠি কলাৰ ভিতৰত কিছু হ'লেও যদি আজিৰ শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰিব পাৰি তেন্তে আজিৰ বৃত্তিমুখী বা চাকৰিমুখী শিক্ষাৰ প্ৰতি কিছু হ'লেও আঁতৰাই আনি ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আহৰণত আৰু মূল্যবোধ শিক্ষা গ্ৰহণত অকণমান অৰিহণা যোগোৱা হ'ব। অৱশ্যে শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন অনা বাস্তৱিকতে ইমান সহজ নহয়। সুস্থ চিন্তা আৰু সু চিন্তিত পৰিকল্পনাৰ মাজেৰে আজিৰ শিক্ষাবিদসকলে যদি লাহে লাহে এঢাপ এঢাপকৈ আগবাঢ়ি যায় তেতিয়া বৰ্তমান শিক্ষা ব্যৱস্থাত থকা কেৰোণবোৰ হয়তো দূৰ হ'ব। আনহাতে আজিৰ সমাজ ব্যৱস্থাত ঘটি থকা দুৰ্ঘটনাবোৰ কিছু শাম কাটিব, দুস্কৃতিৰ ঠাইত সংস্কৃতিৰ জোৱাৰ আহিব এইটো এইবাবে অনুমান কৰিব পাৰি যে যিহেতু আগৰ কালৰ শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ সজ বৃত্তিবোৰক বিকশাই তুলি অসৎ বৃত্তিবোৰক দমাই ব্যক্তিক নিজৰ জীৱন যুদ্ধৰ বাবে সাজু কৰা। বৰ্তমান যুগত খোৱা পিন্ধাৰ সমস্যা, অৰ্থনৈতিক সংকটে মানুহক জুৰুলা কৰিছে, যাৰবাবে ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকেও আশা কৰে যে ভৱিষ্যতে তেওঁলোকৰ সন্তানে বিদ্যালয়, মহাবিদ্যালয়ত উচ্চ শিক্ষা লৈ চাকৰি কৰি ঘৰখনৰ অভাৱ পূৰণ কৰিব আৰু তেওঁলোকৰ মনৰ আশা পূৰ্ণ হ'ব। এয়া হ'ল যুগ মানসিকতাৰ প্ৰতিফলন। ইয়াতকৈ আৰু কি উচ্চ ফল আশ কৰিব পাৰি!

ভগৱানে গীতাত কৈছে-

"ন হি জ্ঞানেন সদৃশং

পবিত্ৰমিহ বিদ্যতে।" - জ্ঞানৰ নিচিনা পৱিত্ৰ বস্তু আৰু ইহ জগতত নাই। জ্ঞানৰ প্ৰতি নিভাঁজ শ্ৰদ্ধাই যদি জ্ঞান অৰ্জনৰ কাৰণ নহয় তেনেহ'লে আন কাৰণে অৰ্জা জ্ঞানে কেতিয়াও সুখ শান্তি দিব নোৱাৰে। অকল ধনেই মানুহক শান্তি দিব নোৱাৰে। ধনৰ প্ৰতি লোভ বাঢ়ি গ'লে মানুহৰ বিপদ নিশ্চিত। প্ৰকৃত জ্ঞান লাভ কৰিবলৈ হ'লে, লোভক জয় কৰিব লাগিব। মহাভাৰতত উদ্যোগ পৰ্বত কৈছে -

"লোভঃ প্ৰজ্ঞানমহন্তি প্ৰজ্ঞাহন্তি হস্ত হ্ৰিয়ম।

হ্ৰীৰ্হতো ৰাধতে ধৰ্মং ধৰ্মোহহন্তিত শ্ৰিয়্।।"

- অৰ্থাৎ লোভে প্ৰজ্ঞা নষ্ট কৰে, প্ৰজ্ঞা নষ্ট হ'লে হ্ৰী অৰ্থাৎ লাজ নষ্ট হয়। লাজ নষ্ট হ'লে ধৰ্ম নষ্ট হয়। ধৰ্ম নষ্ট হ'লে শ্ৰী নষ্ট হয় অৰ্থাৎ হতশ্ৰী হয়। হতশ্ৰী হোৱা মানে সৰ্বস্ব ধ্বংস হোৱা।

সামৰণি ঃ জীৱনটো ভালদৰে গঢ়িবলৈ হ'লে আমাৰ জাতীয় সাহিত্যবোৰ বিশেষকৈ ধৰ্ম গ্ৰন্থবোৰ অধ্যয়নত যথেষ্ট প্ৰয়োজনীয়তা আছে। যি শিক্ষাই নৈতিক চৰিত্ৰ গঠনত সহায়ক নহয়, পিতৃ-মাতৃ, জ্যেষ্ঠজনক ভক্তি কৰিবলৈ নিশিকায়, সেই শিক্ষাই কেতিয়াও এগৰাকী ব্যক্তিক পূৰ্ণাঙ্গ শিক্ষা প্ৰদান কৰিব নোৱাৰে। জাতীয় শিক্ষাই আমাক নিজৰ ভাষা, সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰাক সন্মান কৰিবলৈ শিক্ষা দিয়াৰ লগতে নিজৰ পৰিচয় তথা অস্তিত্ব বিশ্বত দাঙি ধৰিবলৈ উপযুক্ত কৰি তোলে। সেয়েহে আজিৰ নৱ প্ৰজন্মক আমাৰ নিজৰ জাতীয় সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অনুপ্ৰাণিত কৰাটোৱে আজিৰ পৰিপ্ৰেক্ষাত আটাইতকৈ ফলপ্ৰসু চিন্তা। এনেধৰণৰ চিন্তাৰে আগবাঢ়ি গ'লে হয়তো আধ্যাত্মিক বিকাশৰ লগতে মনৰ স্থিৰতাও আহিব আৰু অপৰাধ প্ৰৱণতা কিছু পৰিমাণে হ'লেও হ্ৰাস হ'ব। এখন শান্তি পূৰ্ণ, সমৃদ্ধি শালী, মূল্যবোধ সম্পন্ন সমাজত আমি সকলো মানুহে সুখে সন্তোষে একে মাতৃৰ সন্তান হিচাপে জীয়াই থকাৰ পৰিবেশ আহিব। আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষাৰে কওঁ - "হে পৰমেশ্বৰ সেই সময়

শীঘ্ৰে ঘটোৱা।”

“মোৰ অন্তৰ ফুলনিত প্ৰস্ফুটিত শুভ্ৰ সুন্দৰ
কুসুম ৰাজিৰ সৌৰভৰ দৰে, শুভ্ৰ, সুন্দৰ
চিন্তা ধাৰাই বিকশাই তোলক মোৰ
মনৰ চিৰ প্ৰৱাহিত সুন্দৰৰে ৰূপ।।”

(বৈদিক চিন্তাধাৰা)

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। আশ্ৰম, শ্ৰী অৰবিন্দ, বেদ ৰহস্য (পূৰ্বাধ)
প্ৰকাশক ঃ শ্ৰীঅৰবিন্দ আশ্ৰম, পণ্ডিচৰী; ২০০৭ ইং
২। গোস্বামী, শ্ৰীসতেন্দ্ৰ নাৰায়ণ, ধম্মপদ
প্ৰকাশক ঃ চন্দ্ৰ প্ৰকাশ, টিহু, কামৰূপ ১৯৮৫ ইং
৩। চুতীয়া, বিপিন, উপনিষদ, বৰগীত আৰু নামঘোষাৰ তত্ব ৰহস্য
প্ৰকাশক ঃ শ্ৰী নৰ কলিতা, ধেমাজি বুক ষ্টল, ধেমাজি, ২০০১ ইং
৪। দাস, শ্ৰী খগেন্দ্ৰ নাথ, ভাৰতীয় সংস্কৃতিৰ পৰম্পৰাত সত্ৰীয়া সংস্কৃতিৰ ৰূপৰেখা
প্ৰকাশক ঃ শ্ৰী ধীৰেন্দ্ৰ কুমাৰ দাস, গুৱাহাটী ষ্টেচন ৰোড, পাণবজাৰ, গুৱাহাটী, ১৯৯৫ ইং
৫। ৰায় চৌধুৰী ভূপেন্দ্ৰ, শ্ৰীমদ্ভাগবদ্ গীতা
(অনুবাদ) প্ৰকাশক ঃ ভাৰতীয় সংস্কৃতি পৰিষদ, গুৱাহাটী, ২০০৫ইং
প্ৰবন্ধ
৬। গোস্বামী, হেমচন্দ্ৰ, শিক্ষাৰ ইতিহাস আৰু ছাত্ৰ (অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণ)
প্ৰকাশক ঃ বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিদ্যালয় ১৯৯৮ ইং
৭। ইন্টাৰনেট উৎস।

কিতাপৰ সুগন্ধ থাকে ৰাতি ফুলা শেৱালি ফুলৰ দৰে স্নিগ্ধ নিৰ্মল অথচ মন মাতাল কৰা সেই সুবাস। কিতাপে কঢ়িয়াই অনা দুখ-বিষাদ ক্ষোভ সৰ্বপ্ৰকাৰৰ অনুভূতিয়েই কিতাপ প্ৰেমীৰ মন এনে এক শাশ্বত সৌন্দৰ্য আৰু মহত্বৰে বিধৌত কৰি তুলে যে দুখ-বিষাদো হৈ পৰে এক ধৰণৰ আনন্দময় অনুভূতিৰ আকৰ। মন আৰু মননৰ আঙুলিৰে স্পৰ্শ কৰিব জানিলে অনুভৱ কৰিব পাৰি কিতাপৰো প্ৰাণৰ স্পন্দন। সংবেদনশীল মনত এই স্পন্দনেও প্ৰৱাহিত কৰিব পাৰে তেজ-মঙহৰ শিহৰণ।

*-ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী।*

# RASHTRIYA UCHCHATAR SHIKSHA ABHIYAN (RUSA)

**Mun Kalita ( Ex-Student)**
**Asst. Prof. , Dept. of Education,**
**Dibrugarh University**

**Introduction:**

Rashtriya Uchchattar Shiksha Abhiyan (RUSA) in English "National Higher Education Mission" is a holistic scheme of development for higher education in India initiated in 2013 by the Ministry of Human Resource Development, Government of India. This Centrally Sponsored Scheme (CSS) aims at providing strategic funding to higher educational institutions throughout the country.

**Background:**

Innovative educational policies in India have been a huge success. Sarva Shiksha Abhiyan (SSA) launched for elementary education and Rashtriya Madhyamik Shiksha Abhiyan (RMSA) launched for secondary education produced great results in the educational developments. For higher education University Grants Commission (UGC) has a provision for routine innovation and development funding. UGC funds are quite adequate for centrally funded universities and colleges, which are recognized under sections 12B and 2(f) of UGC Act. However, as of 31st March 2012 statistics, the higher education sector in India consisted of 574 universities and 35,539 colleges, out of which 214 universities are not covered under 12B of UGC Act, and only 6,787 colleges are registered under 12B and 2(f). Thus a larger number of higher institutes run by state governments, which are limited in their own management, are not provided with sufficient financial support to enhance their facilities for educational reforms. Therefore a separate scheme for State/Union Territory managed Universities and Colleges was proposed by the National Development Council (NDC) as part of the 12th Five-Year Plan in 2012. The Cabinet Committee on Economic Affairs approved it in October 2013.

**Chronology of Approval Process:**

- The Central Advisory Board on Education (CABE), the highest advisory body of the Government of India in education on policy matters, in its meeting dated 08.11.2012 gave in principle approval to RUSA
- The National Development Council (NDC) approved the Scheme as part of the 12th Plan
- Prime Minister also announced the Scheme in the Governors' Conference on 12th February 2013
- The President of India announced the Scheme in his address to the joint sitting of Parliament on 21st February 2013
- Approved by Cabinet on 20th June 2013 as the only CSS for the Department of Higher Education
- The Expenditure Finance Committee (EFC) approved the Scheme on 11th September 2013.
- Finance Minister cleared Scheme on 23rd September 2013.
- Cabinet Committee on Economic Affairs (CCEA) approved RUSA on 3rd October, 2013

**Scope:**

RUSA would be spread over the 12th and 13th Plan period for funding the State universities and colleges to achieve *equity, access* and *excellence* in higher education.

**Criterion:**

The allocation of funds under RUSA would be based on well defined norms and linked to certain key *academic, administrative and governance reforms.*

**Vision:**

To attain higher level of ACCESS, EQUITY and EXCELLENCE in the State Higher Education System with greater Efficiency, Transparency, Accountability and Responsiveness.

**Objectives:**

- To achieve the Gross Enrolment Ratio (GER) target of 25.2% by the end of 12th Plan and 32% by the end of 13th Plan
- Improve the overall quality of existing State higher educational institutions by ensuring their conformity to prescribed norms and standards
- Adoption of accreditation as a mandatory quality assurance framework.
- Usher transformative reforms in the State higher education system by creating a facilitating institutional structure for planning and monitoring.
- Ensure governance, academic and examination (and evaluation) reforms and establish backward and forward linkages between school education and the job market.
- Expand the institutional base by creating additional capacity in existing institutions and establishing new institutions in un served and underserved areas by way of up gradation and consolidation.
- Create opportunities for states to undertake reforms in the affiliating system.
- Ensure adequate availability of quality faculty in all higher educational institutions and ensure capacity building at all levels.
- Create an enabling atmosphere in institutions to facilitate research and innovation.
- Integrate the skill development efforts of the government through optimum interventions
- Correct regional imbalances in access to higher education.
- Improve equity in higher education by providing adequate opportunities to socially deprived communities;
- Promote inclusion of women, minorities, SC/ST/OBCs and differently abled persons.
- To identify and fill up the critical infrastructure gaps in higher education by augmenting and supporting the efforts of the State Governments.
- Promote healthy competition amongst states and institutions to address various concerns regarding quality, research and innovation.
- Clearly define role of State Governments vis a vis higher educational institutions.
- Facilitate the creation of State Higher Educational Councils (SHECs).

**Key Features of RUSA:**

- RUSA is an umbrella scheme operated in mission mode that would subsume other existing similar schemes in the state higher education sector.
- Norm based and performance based funding.
- Commitment by States and institutions to certain academic, administrative and governance reforms will be a precondition for receiving funding.
- Funds would flow from the Ministry of Human Resource Development (MHRD) to universities and colleges, through the State Governments.
- Funding to the States would be made on the basis of critical appraisal of State
- State Higher Education Plans (SHEPs) should address each State's strategy to address issues of equity, access and excellence.
- Each institution will have to prepare an Institutional Development Plan (IDP) for all the components listed under the Scheme. It will be aggregated at the State level, after imposing a super layer of State relevant components into the SHEP.
- State Higher Education Councils (SHEC) will have to undertake planning and evaluation, in addition to other monitoring and capacity building functions.
- SHEC will be the key institution at the state level to channelize resources to the institutions from the State budget.
- Two on going Central schemes of Model Degree Colleges and sub mission on polytechnics will be subsumed under RUSA.
- UGC Schemes such as development grants for State universities and colleges, one time catch up

grants, etc. will be dove tailed in RUSA. Individual oriented schemes would continue to be handled by UGC.

• Centre State funding would be in the ratio of **90:10** for North Eastern States, Sikkim, J&K, Himachal Pradesh and Uttarakhand and **65:35** for Other States and Union Territories (UTs).

• Funding will be provided for government aided institutions for permitted activities, based on certain norms and parameters, and in a ratio of 50:50.

• States would be free to mobilize private sector participation (including donations and philanthropic grants) through innovative means, limited to a ceiling of 50% of the State share (Chapter 6 of RUSA document).

• State wise allocations would be decided on the basis of a formulaic entitlement index which would factor in the population size of the relevant age group, GER and Gender Parity Index (GPI) across categories, State expenditure on higher education, institutional density, teacher student ratio, issues of access, equity and quality and excellence in higher education, etc. Further allocation of funds would be dependent upon performance of the state and its demonstrated commitment to the reforms agenda

**Target Group:**

• State Universities and colleges {both 12B and 2(f)} compliant and non 12B and non 2 (f)).

• Government aided colleges would be entitled to some components (including infrastructure support) as approved by the PAB. Funding to such colleges would be decided based on their antiquity and other parameters. (Section 4.2 of RUSA document).

**Prerequisites:**

Prerequisites would be at two levels; commitment given by the States to the Centre and the commitment given by Institutions to the States. Unless these commitments are fulfilled, the states and institutions will not be eligible to avail grants (Section 4.8 of RUSA document).

**STATES INSTITUTIONS:**

- Setting up of SHEC
- SHEP(including Perspective Plan, Annual Plan and Financial & Work Plan)
- State funding commitment - share and timeliness
- Filling of faculty positions
- Affiliation reforms
- Setting up of accreditation agencies
- Governance and administrative reforms
- Academic and examination reforms
- Institutional governance reforms
- Academic reforms
- Examination reforms
- Project Management Teams
- Equity Commitments
- Commitments on research and innovation efforts
- Faculty recruitment and improvement
- Establishment of MIS
- Regulatory compliance

**States covered under RUSA:**

To boost research and innovation, twelve (12) States and four (04) Union Territories have been considered eligible to receive Rs. 120 crore each under the Research, Innovation and Quality Improvement Component of RUSA – Rashtriya Uchchatara Shiksha Abhiyan. They are – Andaman & Nicobar, Arunachal Pradesh, Assam, Bihar, Chandigarh, Dadra & Nagar Haveli, Daman & Diu, Himachal Pradesh, Karnataka, Kerala, Maharashtra, Manipur, Nagaland, Odisha, Punjab and Uttar Pradesh.

**Programmatic and Financial Norms of Various Components:**

**1. *Creation of Universities by way of Up gradation of Existing Autonomous Colleges:***

45 autonomous colleges (autonomy granted by University Grants Commission at least in 2008 or earlier) that have necessary infrastructural facilities, antiquity, teaching strength and quality will be considered for up gradation to Universities.

**2. *Creation of Universities by conversion of colleges in a cluster:***

Cluster universities aims essentially at addressing the critical gaps in the spatial distribution of higher educational institutions across the States. 35 new cluster universities would be created during the current Plan period with an average allocation of Rs.55 crore per university and 65 during the next Plan period through the clustering of existing affiliated government and government aided colleges. These universities will be created by pooling the resources of 3 to 5 existing colleges that have adequate academic, physical and technical infrastructural facilities. All the participating colleges in a cluster would eventually become constituent colleges of the newly created university.

**3. *Infrastructure Grants to Universities:***

Infrastructure grants shall be utilized for meeting critical infrastructural needs that would lead to immediate quality gains such as upgrading of libraries, laboratories, equipments, hostels and toilets, etc. 150 public universities will be given a grant of Rs.20 crore each during the current Plan period. Universities will be prioritized for purposes of funding according to; (a) universities which have not been included under section 12B. These universities will be further prioritized on the basis of inter se antiquity (year of establishment) and (b) universities included under section 12B but have not received funding.

***4. New Model Colleges (General):***

Districts that are listed as Educationally Backward Districts under the existing 374 Model College Scheme and have not been supported so far would be considered for funding. 60 new model colleges will be sanctioned during the current Plan period.

**5. *Up gradation of existing Degree Colleges to Model Degree Colleges:***

Out of the 640 districts in the country, 288 districts would be covered under the New Model College Scheme. Funds will be provided for the up gradation of 54 colleges in the 12th plan period.

**6. *New Colleges (Professional):***

Grants will be provided for establishing new professional colleges in each of the 22 states having below the national average GER in technical education. The number of colleges for each state will be based on the evaluation of the proposals submitted by the States. 40 new engineering colleges would be sanctioned in the 12th Plan period. States which are over saturated in terms of institutional density and vacant seats will not be considered for grants.

**7. *Infrastructure Grants to Colleges:***

Infrastructure grants can be utilized by the colleges to address critical needs in institutional infrastructure, especially for creating/upgrading laboratories, libraries, hostels, toilets etc. 3500 colleges will be given grant of Rs.2 Crores each during the 12th Plan period.

**8.*Research, Innovation and quality improvement:***

During the current plan period, 10 States will receive funds under this component to facilitate research and innovations.

**9. *Equity Initiatives:***

During the 12th Plan period, 20 States will receive funds under this component. All State universities will be eligible to receive grants for equity initiatives. Innovative approach/schemes to ensure greater inclusion will be considered on priority.

**10. *Faculty Recruitment Support:***

Support will be provided to fill positions in the category of Assistant Professor or equivalent cadre against vacancies. 5000 such positions would be supported during the current plan period. All the State universities will be eligible to receive grants under this programme. The recruitment process will have to adhere to UGC norms and regulations.

***11. Faculty Improvement:***

Academic Staff Colleges will be given funds to improve infrastructure and resources for training and capacity building activities.

12. *Vocationalization of Higher Education:*

Funds for vocationalisation will be given to all the States/State universities.

13. *Leadership Development of Educational Administrators:*

This is a centrally administered program for professional development for the professional development of educational administrators/academic leaders/policy makers. This scheme will support leadership development programmes for department heads, deans, registrars, principals, vice principals, vice chancellors, pro-vice-chancellors, SHEC members, state project directors, commissioners, secretaries, etc. Besides, capacity building initiatives will be provided to State level policy makers and members of governing bodies at the institutional level.

14. *Institutional Restructuring and Reforms:*

Funds will be provided to States and Union Territories (depending on the size of the states) to enable them to create/strengthen necessary institutional framework for efficient and effective sectoral reforms. These funds can be utilized for setting up/strengthening State Higher Educational Councils, State Resource Centers and State Project Directorate.

15. *Capacity Building and Preparation, Data Collection and Planning:*

Funds will be given to States and Union Territories to Undertake baseline surveys

Data collection and compilation.

Organize meetings, consultations, workshops, trainings

Hire consultants

Preparation of State perspective plans/ strategy reports

16. *Management Information System:*

Funds will be provided to create and maintain strong data systems at the State level for surveys and analysis that could provide information to the national MIS.

17. *Support to Polytechnics:*

In consonance with the Planning Commission guidelines, the existing scheme regarding Sub Mission on polytechnics will be merged with RUSA.

18. *Management Monitoring Evaluation and Research (MMER):*

This scheme is envisaged to provide support to resource centres and support groups for the effective implementation of various programmes under RUSA.

**Conclusion:**

Rashtriya Uchchatar Shiksha Abhiyan (RUSA) is in infancy stage now. It is very difficult to say anything about the success or failure of RUSA at present. But it is hoped that if the scheme is properly implemented then definitely it would bring some reforms and changes to the higher education sector of India.

**References:**

1. "Rashtriya Uchchatar Shiksha Abhiyan for reforming State Higher Education System", Retrieved on 14.07.2014 from www. pib.nic.in.

2. "Rashtriya Uchchatar Shiksha Abhiyan", Retrieved on 14.07.2014 from www. en.wikipedia.org.

3. "Rashtriya Uchchatar Shiksha Abhiyan (RUSA) Document", Retrieved on 14.07.2014 from www. mhrd.gov.in/rusa.

4. "Rashtriya Uchchatar Shiksha Abhiyan (RUSA)", University News, vol 51, No.28, July, 2013.

5. "Rashtriya Uchchatar Shiksha Abhiyan (RUSA)", University News, vol 51, No.39, Sept-Oct, 2013.

# TEACHERS AND TEACHINGS IN THE TWENTY FIRST CENTURY

**Nilamani Upadhyay**
**Ex-Student**

Teaching is a dynamic process, not at all constant or static at any point of educating a child. It is concerned with all the domain of pupils behaviour, i.e, cognitive, conative and affective. It is that activity through which knowledge can be imparted, understanding and skills can be developed. It is, no doubt, the laborious and thought-provoking task of a teacher who is, in the real sense, has to devote his precious time in moulding, shaping and developing the personality of a child. Hence teachers and teaching are closely associated with each other; one has no existence without the other. To acclaim himself as a good teacher in this second decade of the twenty first century, he must introduce innovativeness in his teaching. *And we know that where there is innovation, there is criticism and where there is criticism there is perfection.* Thus, to achieve the target of education teaching is utmost necessary and teachers also has to play a multiple role with the application of his creative mind.

Teaching is not merely a profession; it is a commitment pouring from the core of the heart. It is challenging too. So the teacher is required to change himself and apply the appropriate methods, techniques and devices befitting to the particular students or the group of students belonging to specific age or decade. History witnesses the changing pace of educational needs of the students belonging to different ages, and the methods, processes and ways to meet these needs reflecting the transmission and the commitment of the teacher involved in the process. Right from pre-historic era to second decade of the 21st century we have many transformations, reformations, creations and novelties in this sacred profession of teaching. Hence there are lots of challenges in innovative teachings. What we taught yesterday may be invalid today. What we considered correct in yesterday's context may be incorrect or irrelevant in present day context. At the same time we know that today the whole concept of education is being changed throwing away the teacher centred education into dust and replaced it by the child centred education where the child is supposed to be the hero of the whole drama of education. So, the teacher must focus the students, not himself and make them active and alert in the class room. He must provide opportunity to the students to participate in the whole teaching learning process. Though the emphasis is laid on the child, we cannot minimize the importance of the teacher. So it is appropriately said that the way to child centred education can only be through teachers centred education.

To meet with challenges of teaching and establish himself as a good teacher, he must have to bring innovativeness in his teaching that will show his creativeness and dynamism in his character. He should try to follow those methods of teaching which should aim not merely at the imparting of knowledge in an efficient manner, but also at inculcating desirable values and proper attitudes and habits of work in the students. At the same time he must give enough scope to the students so that they can work in groups and carry out group projects and activities providing opportunity for development their ability for group work and co-operative activities.

Twenty first century is the age of science and technology. Technology has made rapid advancement destroying some sort of manual activities and skills and even reducing memory power of human beings by the application of computer and other modern electronic devices. But whatever shortcomings we may have in the application of modern technology in the area of teaching, we have ten times benefits of its application. So some would like to assert *that a teacher of the 2nd decade of 21st century is inefficient, unskilled, incomplete, incompetent unless he has a minimum Computer literacy.* As a challenged job a teacher, these days, needs to have the capability to impart e-education, take smart

classes, provide latest information around the globe through internet system.

Regarding the use of teaching learning materials too the teacher should have good knowledge. He should be able to *represent the topic with the help of relevant teaching aids which will make the topic easy, interesting and accessible to the taught. At the same time what is more important is its application that one must display the teaching aid only when it is required to display.* An instructional aid, a visual aid and audio-visual aids are all necessary for a teacher to motivate his students. It is an outstanding development in modern education that the uses of lots of supplementary devices are increased and thus the teacher can easily clarify, establish, correlate the subject matter. We know that learning takes place in a very general sense at three levels- direct experiencing, vicarious experiencing and symbolic experiencing. Thus audio visual aids are quite helpful in instruction. They supply a concrete basis for conceptual thinking. Hence to meet the challenges of teaching the teacher must be laborious enough to prepare and display the appropriate teaching aids.

In the present day context as the concept of education is changing and taking a new dimension the teacher must be well versed in some other devices and techniques of teaching like illustration, description, narration, exposition, explanation, micro-teaching etc. To explain important and difficult ideas of the lesson the teacher needs to illustrate which may visual illustration or oral illustration. Similarly the teacher needs to narrate the incident or present the subject on the basis of previous knowledge of students and discuss on it. But what is the urgent need of the hour is the micro-teaching, which is one of the innovative steps to bring perfection among teachers. It is a departure from traditional teacher training. Hence the teacher should know the various steps involved in micro-teaching.

Knowledge of child psychology is another essential quality of a teacher who would like to achieve the diverse needs of the students. All teachers have to face the hopes and aspirations, problems, expectations of the students who are bound to face all the challenges of the constantly changing world. As such the teacher with the help of his knowledge of psychology can apply different methods, techniques and even teaching skills appropriate to different environments. Unless and until the teacher acquires the deep understanding of the individual differences of children, he can't achieve success in his mission of bringing their all round development.

It is here worth mentioning that the quality in education depends on the quality in teaching-how far innovativeness applied by the teacher. But the efficiency of the teacher and the innovativeness of teaching may go in vain unless he is provided with infrastructural and other relevant needs and environment for his creative teaching. In this regard we may mention about well-structured school building, which is as essential to education as healthy body is required to the mind. School should be housed in beautiful buildings which are not only stimulating centers of education for children but also vital centers of community life. In a good building provisions should be made to take classes in a subject room rather than a class room. This is not enough. Futher he should be provided with other basic needs required to his profession that will bring contentment and feeling of pride being a teacher. But of late unrest and discontentment is seen among the teachers regarding their job security, social standing and even the salary pattern which may stand as hindrance in the way of innovative teaching.

Finally we may sum up that the teacher is an important factor in the contemplated educational reconstruction. His personal qualities, educational qualification, proficiency, his professional training and his mental set up and readiness for commitment are very much helpful to meet the challenges in innovative teaching which can only fulfill the diverse needs of different categories of students. So, it can rightly be said that bringing innovativeness in teaching itself is a challenge. Hence the teachers in the twenty first century are required to be more informative, more knowledgeable and more dynamic having profound respect and attachment to his profession and bearing tolerable character that will really help him to make his teaching fruitful.

# বিজ্ঞান শিক্ষা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ

মিনতি বৰ্মণ
সহযোগী অধ্যাপিকা
পদাৰ্থ বিজ্ঞান বিভাগ

বৃত্তি মুখী শিক্ষাৰ পয়োভৰত বৰ্তমান আমাৰ দেশৰ মৌলিক বিজ্ঞান শিক্ষাৰ ভেটি থৰক -বৰক । ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ডাক্তৰ, ইঞ্জিনিয়াৰ, প্ৰশাসনিক বিষয়া ইত্যাদি হোৱাৰ দুৰ্বাৰ হেঁপাহ। বৃত্তিমুখী শিক্ষাৰ দৌৰাত্মত দেশৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকল ধাৱিত হোৱাৰ ফল স্বৰূপে মৌলিক বিজ্ঞান শিক্ষা ব্যৱস্থাত খহনীয়া সৃষ্টি হৈছে। এনে এক শিক্ষা ব্যৱস্থাত আমাৰ দেশৰ ভৱিষ্যৎ কোন পিনে গতি কৰিছে এয়া চিন্তনীয় হৈ পৰিছে। সমাজত নতুনত্ব আনিব পৰা মেধাবী ছাত্ৰ-ছাত্ৰীৰ অভাৱত মৌলিক বিজ্ঞান চৰ্চা যিমানখিনি হ'ব লাগিছিল, সিমানখিনি যেন হোৱা নাই, যাৰ ফলত বৰ্তমান বিজ্ঞান-প্ৰযুক্তিৰ এই ভৰপক সময়ত আমি আন দেশৰ প্ৰযুক্তিলৈ মুখ মেলি চাই থাকিবলগীয়া হৈছে। এনে এক পৰিস্থিতিয়ে আমাৰ দেশৰ প্ৰগতিত এক ভাবুকিৰ সৃষ্টি কৰিছে।

মৌলিক বিজ্ঞান-শিক্ষাৰ প্ৰতি যুৱ সমাজত সৃষ্টি হোৱা অনীহা কিহৰ বাবে? এই বিষয়ে বৌদ্ধিক মহলত বিভিন্ন চিন্তা-চৰ্চা হৈ আছে। বিজ্ঞানীসকলে ক'ব খোজে যে- আমাৰ গতানুগতিক অনুশীলনহীন শ্ৰেণীকোঠাৰ শিক্ষাব্যৱস্থাই শিশু সকলৰ মানত বিজ্ঞানৰ প্ৰতি কোনোধৰণৰ আগ্ৰহ বা অনুসিন্ধৎসাৰ সৃষ্টি কৰিব নোৱাৰাটোৱেই হ'ল ইয়াৰ প্ৰধান কাৰণ। বৰ্তমান শিক্ষা ব্যৱস্থাত শিক্ষণ পদ্ধতিৰ বোজাই চাগে তেওঁলোকক কোনো সৃষ্টিশীল কামৰ বাবে অনুপ্ৰেৰণা যোগাব নোৱাৰে। ব্যৱহাৰিক প্ৰয়োগ নথকা, হাতে-কামে কৰি নেদেখুৱা শ্ৰেণীকোঠাৰ বিজ্ঞান শিক্ষা ইমানেই আমনিদায়ক হয় যে ছাত্ৰ-ছাত্ৰীসকল এনে বিজ্ঞান শিক্ষাৰ প্ৰতি প্ৰকৃততে আকৰ্ষিত নহয়, মাথোঁ পৰীক্ষাত ভাল নম্বৰ লাভ কৰাৰ বাবেহে অধ্যয়ন কৰে। গণিত বা বিজ্ঞানত খুব ভাল নম্বৰ লাভ কৰে যদিও তাক ব্যৱহাৰিক ক্ষেত্ৰত কেনেকৈ প্ৰয়োগ কৰিব লাগে সেইবিষয়ে বহুতেই নেজানে। গতিকে পৰীক্ষাত ভাল ফল লাভ কৰাৰ পিচত মেধাবী ছাত্ৰ- ছাত্ৰীসকলৰ বেছিভাগেই বেলেগ বেলেগ বৃত্তিমুখী শিক্ষা গ্ৰহণৰ বাবে মন মেলে। যিসকল ছাত্ৰ-ছাত্ৰী বিভিন্ন অসুবিধা, যেনে -অৰ্থনৈতিক, পাৰিবাৰিক বা বাচনি পৰীক্ষাত উত্তীৰ্ণ নোহোৱা বাবে এনে শিক্ষা গ্ৰহণ কৰিব নোৱাৰে, তেওঁলোকৰ কিছুমানে আহি মৌলিক বিজ্ঞান শিক্ষা পঢ়িবলৈ লয়। অনিচ্ছাকৃতভাৱে পঢ়িব লোৱা এনে গতানুগতিক শিক্ষা-তেওঁলোকৰ বাবে অকণো মনেগ্ৰাহী নহয়। ইয়াৰ ফল স্বৰূপে আমাৰ দেশৰ বিজ্ঞান শিক্ষাৰ ভেটি দুৰ্বল হৈছে। বিজ্ঞান শিক্ষাৰ প্ৰতি উদ্বেগ আৰু কৌতূহল জন্মাবলৈ একোটি শিশুক সৰুৰেপৰাই তাৰ চাৰিওফালৰ পৰিৱেশৰ সৰু-বৰ ঘটনাসমূহ সুক্ষ্মভাৱে বিশ্লেষণ কৰি হাতে-কামে কৰি বুজাই দিব লাগিব। সিহঁতক অনুপ্ৰেৰণা যোগাব লাগিব প্ৰশ্ন কৰিবলৈ। কাৰণ মনত প্ৰশ্নৰ উদয় নহ'লে বিজ্ঞান চৰ্চা সম্ভৱ নহয়। মনত সৃষ্টি হোৱা বিভিন্ন কৌতূহলী প্ৰশ্নৰ উত্তৰ বিচাৰি উলিয়াব পাৰিলেই বিজ্ঞানৰ নতুন আৱিষ্কাৰ সম্ভৱ হয় আৰু এই আৱিষ্কাৰৰ প্ৰয়োগে প্ৰযুক্তি বিদ্যাক এখোজ আগুৱাই লৈ যায়।

বৰ্তমান যুৱ প্ৰজন্মক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৃষ্ট কৰিবলৈ চৰকাৰৰ দ্বাৰা আমাৰ দেশত বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা হৈছে। এনে ধৰণৰ কাৰ্যসূচীৰ এক সফল পদক্ষেপ হিচাপে উল্লেখ কৰিব পাৰি 'ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ'। ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগ (DST) আৰু ৰাষ্ট্ৰীয় বিজ্ঞান প্ৰদ্যোগিকী সঞ্চাৰ পৰিষদৰ (NCSTC) সৌজন্যত স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ ওপৰত দেশভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এনে ধৰণৰ প্ৰতিযোগিতাই আমাৰ নৱ প্ৰজন্মক বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি বঢ়োৱা পৰিলক্ষিত হৈছে। এনে ধৰণৰ প্ৰচেষ্টা যে অকল ভাৰতবৰ্ষতেই হৈছে এনে নহয়, গোটেই পৃথিৱীত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে ৰাষ্ট্ৰসংঘই প্ৰতিটো বৰ্ষকে বিজ্ঞান দিৱস হিচাপে ঘোষণা কৰি বিভিন্ন ধৰণৰ কাৰ্যসূচী পালন কৰে। আমাৰ অসমতো বৈজ্ঞানিক মানসিকতা গঢ় দিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰয়োগ কৰা বিভিন্ন প্ৰচেষ্টাৰ লগতে অসম চৰকাৰে নিজা ৰবীয়াকৈ অসমৰ প্ৰতিটো খণ্ড উন্নয়নত মুঠ ২১৯ টা বিজ্ঞান কেন্দ্ৰ স্থাপন কৰিছে। এই বিজ্ঞান কেন্দ্ৰসমূহৰ জৰিয়তে অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদে (ASTC) অসম

চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ (DST)অধীনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আছে।

অসমত স্থাপন কৰা এই বিজ্ঞান কেন্দ্ৰসমূহৰ নাম ৰখা হৈছে 'আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ'। যিজন মহান বিজ্ঞানীৰ নামত আমাৰ অসমৰ বিজ্ঞানকেন্দ্ৰসমূহ নামকৰণ কৰা হৈছে, সেইজন বিজ্ঞানীৰ জন্ম হৈছিল ৪৭৬ খৃষ্টাব্দত ভাৰতৰ পাটনাত। আৰ্যভট্ট হ'ল সেইজনা বিজ্ঞানী, যিজনাই পোণ প্ৰথমে পৃথিৱীখন গোলাকাৰ আৰু ই নিজৰ মেৰুদণ্ডত আৱৰ্ত্তন কৰে বুলি ঘোষণা কৰিছিল। এইজনা বিজ্ঞানীয়ে প্ৰথমতে চন্দ্ৰ-সূৰ্যক একেৰেখাত থৈ গ্ৰহণৰ ব্যাখ্যা কৰিছিল। ৰাহু-কেতুৰ গ্ৰাসৰ বাবে গ্ৰহণ নহয় বুলি দৃঢ়তাৰে কৈ তেখেতে সেই সময়ত প্ৰচলিত অন্ধবিশ্বাস আঁতৰাবলৈ চেষ্টা কৰিছিল। এইজনা বিজ্ঞানীয়ে আজিৰ পৰা প্ৰায় ১৫০০ বছৰৰ পূৰ্বে চন্দ্ৰ, সূৰ্য আৰু পৃথিৱীৰ বয়স গণনা কৰিছিল। ছাৰ আইজাক নিউটনে মাধ্যাকৰ্ষণ শক্তিৰ সূত্ৰ আৱিষ্কাৰ কৰাৰ বহু বছৰ পূৰ্বে চতুৰ্থ শতাব্দীতেই আৰ্যভট্টই মাধ্যাকৰ্ষণ শক্তিৰ ব্যাখ্যা কৰিছিল।

আৰ্যভট্ট আছিল বিশ্বৰ প্ৰথম গৰাকী মহাকাশ বিজ্ঞানী। তেওঁ আছিল এজন সুদক্ষ গণিতজ্ঞ। সমীকৰণ পদ্ধতিৰ আৱিষ্কাৰ কৰি তাৰ সমাধান পদ্ধতি উলিওৱাৰ বাবে আৰ্যভট্টক বীজগণিতৰ জন্মদাতা বুলিও কোৱা হয়। এইজনা প্ৰসিদ্ধ বিজ্ঞানীৰ নামত অসমৰ বিজ্ঞান কেন্দ্ৰসমূহ নামকৰণ কৰি আমি তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আঁচনিখনৰ মূল উদ্দেশ্য হ'ল -

(১) ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলা।

(২) হাতে-কামে কৰা বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰে বিজ্ঞান শিক্ষাক মনোগ্ৰাহী কৰা।

(৩) মৌলিক বিজ্ঞান শিক্ষাক জীৱনৰ লক্ষ্য হিচাপে বাছি লোৱাৰ বাবে অনুপ্ৰেৰণা যোগোৱা।

এই উদ্দেশ্যসমূহৰ সফল ৰূপায়ণৰ বাবে অসমৰ প্ৰতিটো উন্নয়ন খণ্ডৰ অধীনস্থ একোখন বিদ্যালয় বা বে-চৰকাৰীৰ সংস্থাক বিজ্ঞান কেন্দ্ৰ স্থাপনৰ বাবে নিৰ্বাচন কৰা হৈছে। এই কেন্দ্ৰসমূহৰ যোগেদি প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰই যোগান ধৰা বিভিন্ন হস্তচালিত সা-সঁজুলি, বৈজ্ঞানিক আহিলাৰ লগত পৰিচয় কৰাই হাতে-কামে বিজ্ঞান শিক্ষাক মনোগ্ৰাহী কৰিবলৈ চেষ্টা কৰা হৈছে। আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজাকৈ বিজ্ঞানৰ আৰ্হি বনাই প্ৰদৰ্শনী প্ৰতিযোগিতাত যোগদান কৰিব পাৰে, তাৰ বাবে দৰকাৰী কিছুমান সৰু-সুৰা আহিলা কেন্দ্ৰসমূহত যোগান কৰা হৈছে। ইয়াৰোপৰি প্ৰতিটো বিজ্ঞান কেন্দ্ৰকে একোটাকৈ দূৰদৰ্শন যন্ত্ৰ, মাটিৰ গুণগত পৰীক্ষণৰ সঁজুলি, দূৰবীক্ষণ যন্ত্ৰ, সৌৰশক্তি চালিত বিজুলী বাতি আদি যোগান কৰা হৈছে। ভাবিলে ভালেই লাগে- মহান বিজ্ঞানী গেলিলিওই দূৰবীক্ষণ যন্ত্ৰ সাজি উলিয়াই মহাকাশ নিৰীক্ষণ কৰিবলৈ যিমান কষ্ট কৰিবলগীয়া হৈছিল, তাতকৈ উন্নতমানৰ দূৰবীক্ষণ যন্ত্ৰ আজি অসমৰ একেবাৰে পিছপৰা অঞ্চলৰ ল'ৰা-ছোৱালীৰ বাবেও সহজলভ্য হ'ল।

প্ৰতিটো উন্নয়ন খণ্ডত স্থাপন কৰা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত সেই উন্নয়ন খণ্ডৰ অধীনত থকা বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতা, প'ষ্টাৰ অংকণ প্ৰতিযোগিতা আৰু আৰ্হি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত নিৰ্বাচিত দুইগৰাকীকৈ প্ৰাৰ্থীক জিলা-ভিত্তিক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ দিয়া হ'ল। জিলা-পৰ্যায়ত নিৰ্বাচিত হোৱা দুগৰাকীকৈ প্ৰাৰ্থী ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব সুবিধা পায় আৰু এই ৰাজ্যিক ভিত্তিত প্ৰতিযোগিতাত নিৰ্বাচিত প্ৰাৰ্থীক বঁটা প্ৰদানেৰে উৎসাহিত কৰা হয়।

প্ৰতিবছৰে প্ৰতিটো উন্নয়নখণ্ডৰ পৰা এজনকৈ ছাত্ৰক অৰ্থাৎ গোটেই অসমৰ পৰা ২১৯ জন ছাত্ৰ-ছাত্ৰীক আমাৰ দেশৰ লেখত লবলগীয়া বিজ্ঞান কেন্দ্ৰসমূহলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে পঠোৱা হয়।

বকো উন্নয়ন খণ্ডৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰটো ২০০৯ চনত আমাৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ তত্বাৱধানত স্থাপন কৰা হৈছে। এই কেন্দ্ৰৰ জৰিয়তে বকো অঞ্চলত বিজ্ঞান শিক্ষাৰ প্ৰতি ল'ৰা-ছোৱালীৰ ধাউতি বঢ়াবলৈ ওপৰত উল্লেখিত প্ৰতিযোগিতাসমূহৰ উপৰিও মাটিৰ গুণগত পৰীক্ষা, নিশাৰ আকাশ দৰ্শন আদি কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে।

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আঁচনিখনৰ মহান উদ্দেশ্য সফল ৰূপায়ণৰ বাবে অসমৰ প্ৰতিজন ব্যক্তিৰ সদিচ্ছা আৰু সম্ভাৱৰ প্ৰয়োজন। আমাৰ সদিচ্ছাই নিশ্চয় অদূৰ ভৱিষ্যতত অসমৰ একেবাৰে পিছপৰা অঞ্চলৰ জনগণকো বিজ্ঞানৰ বতৰা দিব আৰু অন্ধবিশ্বাস আঁতৰাই দেশৰ প্ৰগতিত অৰিহণা যোগাব। আমি আশাবাদী - এনে সময় এদিন নিশ্চয় আহিব আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্দেশ্য সফল হ'ব।

# পৰিৱৰ্তনৰ পথত মানৱ সমাজ, শিক্ষা আৰু ধৰ্ম

পদ্ম ৰাম মহন্ত

মানৱ সভ্যতাৰ ইতিহাস খুচৰিবলৈ গ'লে, দেখিবলৈ পোৱা যায় এটা বৰ্বৰ যুগ, অসুৰৰ যুগ। পৰ্বতৰ গুহাত, অটব্য হাবিত কেঁচা মাছ, মঙহ খাই জীৱন ধাৰণ কৰা বিবসন নৰগোষ্ঠীৰ এখন বিশৃংখল সমাজ।

যি মুহূৰ্তত শিলে শিলে ঘঁহনি খাই জুই ওলোৱা দৃশ্য মানৱ সমাজৰ দৃষ্টিগোচৰ হৈছিল, সেই মুহূৰ্তৰ পৰাই আৰম্ভ হ'ল শিক্ষা আৰু প্ৰগতি। প্ৰকৃতিৰ সম্পদবোৰেই মানৱ সভ্যতাৰ প্ৰথম সোপাণ। এনেবোৰ বিৱৰ্তনৰ গতিপথেৰে অগ্ৰগতি হৈ আহিছে মানৱ সমাজ।

সাম্ৰতিক সময়ত সমাজত যি পৰিৱৰ্তন পৰিলক্ষিত হৈছে, যি প্ৰগতি বা উন্নতি দেখিবলৈ পাইছোঁহক, সেইবোৰ বিজ্ঞানৰ দান বুলি সকলোৱে স্বীকাৰ নকৰি নোৱাৰে। বিজ্ঞানৰ সিদ্ধান্ত, যুক্তি-প্ৰমাণৰ ওপৰত নিৰ্ভৰশীল এইবাবেই যে, সৃষ্টিকৰ্তাৰ উপাদান সমূহে বিজ্ঞানৰ মূল উৎস। শিক্ষাৰ কুক্ষিতেই কিন্তু বিজ্ঞানৰো জন্ম।

চোৰ-ডকাইতে লুট-পাট কৰা ঘৰ এখনত আৰক্ষী বিভাগে প্ৰথমে তালাচি কৰি চায় চোৰ ডকাইতৰ উদ্ভগুলিবোৰ। কেনেদৰে সিন্ধি খানিদেছে, কেনেদৰে তলা ভাঙিছে, কেনেদৰে খোজ দিছে, কোন বাটেৰে বয়-বস্তু উলিয়াই নিছে ইত্যাদি। এইবোৰ চোৰৰ কৰ্মহে। কৰ্তা চোৰক জানিবলৈ অন্য পদ্ধতিৰ আৱশ্যক হয় যদিও কেতিয়াবা বিফল হোৱা দেখা যায়।

এখন নাটকৰ কাহিনী আৰু চৰিত্ৰ বিশ্লেষণ কৰি যেনেদৰে নাট্যকাৰক পাহৰি যোৱা হয়, তেনেদৰে বিজ্ঞানেও সৃষ্টিকৰ্তাৰ সৃষ্টি ৰহস্য উদ্‌ঘাটন কৰোঁতে কৰ্তাৰ কথা বাদ পৰি যায়। কৰ্ম কিন্তু তাৰ ব্যতিক্ৰম। বিজ্ঞানে বিচাৰে সৃষ্টিক আৰু ধৰ্মই বিচাৰে স্ৰষ্টাক, স্ৰষ্টাৰ উপাদান সমূহ অনুসন্ধিৎসু বিজ্ঞানে উচ্চ শিক্ষাৰ মাধ্যমেৰে অনুসন্ধান কৰি মানুহৰ মনত চমক লগায় আৰু ভাবিবলৈ বাধ্য কৰায় এটা আচৰিত বস্তুৰ আৱিস্কাৰ। মেগনেছিয়া নামে ঠাইত ভেৰা ৰখীয়া এজনে ভেৰা চৰাওঁতে জোতাৰ গজালত লাগি ধৰা শিল এছটাক আৱিস্কাৰ কৰি বিজ্ঞানে প্ৰমাণ কৰিলে লো আৰু চুম্বকৰ আকৰ্ষণ শক্তি।

সৃষ্টিকৰ্তাৰ গুপ্ত ৰহস্যভেদ কৰোঁতে কেতিয়াবা বিজ্ঞানৰ যুক্তি প্ৰমাণো কেনা লগা দেখা যায়। সেয়ে বিজ্ঞানৰ কাৰ্যও পৰিৱৰ্তন, পৰিবৰ্দ্ধন হৈ পৰে।

এটা সময়ত পৃথিৱীৰ চাৰিওফালে ঘূৰা সূৰ্যক, গেলিলিওৱে প্ৰমাণ কৰি দেখুৱালে সূৰ্যৰ স্থিতি আৰু পৃথিৱীৰ পৰিভ্ৰমণ। তাৰ আগতে বিখ্যাত বৈজ্ঞানিক এৰিষ্টটলৰ কথামতেই মানুহে বিশ্বাস কৰিছিল সূৰ্যৰ পৰিভ্ৰমণ আৰু পৃথিৱীৰ স্থিৰতা।

তদ্ৰূপ মানৱ সমাজত প্ৰচলিত দৰ্ম আৰু শিক্ষাও পৰিৱৰ্তনহৈ আহিছে। এটা সময়ত ধৰ্মৰ দোহাই দি মৃত স্বামীৰ চিতাত হাতে-ভৰিয়ে বান্ধি বিধবা স্ত্ৰীক অগ্নিত জাপি দিয়া কু-প্ৰথা মানুহে ধৰ্ম বুলি বিশ্বাস কৰিছিল। তাৰ পৰিণতি স্বৰূপে আজি এই বিজ্ঞানৰ যুগতো অন্ধ সংস্কৃতিৰ আন্ধবিশ্বাসত অকালতে বলি হ'ল ৰাজস্থানৰ যুৱতী কন্যা ৰূপকানৱাৰ। জীৱিতাৱস্থাত সতীত্বৰ গুণ চকুত নপৰা সমাজত অগ্নিত জাপদি সতীত্ব দেখুওৱা ৰীতি তাহানিৰ যুগত সমাজে মানি লৈছিল। আজি দ্বাবিংশ শতিকাত সেই প্ৰথা প্ৰচলন কৰি ৰাজস্থানৰ লোকে দুহেজাৰ বছৰ পিছুৱাই যোৱাকে প্ৰমাণ কৰিলে। বিনিময়ত পালে তিৰস্কাৰ আৰু শাস্তি। অদ্যপিও ধ্বংসমুখী নহ'লেও সেই অন্ধপ্ৰথা ৰক্ষণশীল সমাজত প্ৰচলিত হৈ আছে। বিধবা স্ত্ৰীয়ে নাম গাব নাপায়, নামঘৰত বন্তি দিব নাপায়, মেধি হ'ব নাপায়, ল'ৰাৰ বিয়াত পানী তুলিবলৈ যাওঁতে ঘট ল'ব নাপায়, ল'ৰাৰ বিয়াত যাব নাপায়। গ'লে বিঘ্নি হ'ব ইত্যাদি। পুৰুষৰ বেলিকা কিন্তু কোনো ধৰা-বন্ধা নাই। দুজনৰটো এজন আগতেই মৰিবই। কোনেও একেলগে মৰিব নোৱাৰে। স্ত্ৰীৰ দৰে পুৰুষকো বাধা দিয়া নহয় কিয়?

এই কু-প্ৰথাৰ প্ৰথম বিৰোধিতা কৰিছিল শ্ৰীমন্ত শংকৰদেৱে। 'স্ত্ৰী-পুৰুষে একে মতি তেহে হ'ব হৰিৰ ভকতি।।' অৰ্থাৎ স্ত্ৰী-পুৰুষৰ মাত এক হ'ব লাগিব।

ধৰ্ম মন্দিৰত বলি দিয়া যুৱকজন স্বৰ্গবাসী হোৱা বিশ্বাসেই তেতিয়াৰ দিনত পিতৃ-মাতৃৰ মনত -পুত্ৰৰ শোককো ভুলাই ৰাখিছিল। এতিয়াও অমাত পশু-পক্ষীৰ ৰক্তেৰে ধৰ্ম মন্দিৰ ৰাঙলি কৰা কাৰ্য ধৰ্মীয় সমাজত প্ৰচলিত হৈ আছে। মানুহক চুলে গাধোৱা কাৰ্য অদ্যপিও ধৰ্মৰ মাজত সন্নিবিষ্ট।

ৰাজা ৰামমোহন ৰয়, বেণ্টিঙ্ক আদি সত্যৰ

গৱেষকসকলে এই কু-প্ৰথাবোৰ কিছুপৰিমাণে হ্ৰাস কৰে যদিও বহতো আকৌ ৰক্ষণশীল সমাজত অবৰুদ্ধ হৈ মুক্তিৰ ক্ষণ গণি আছে। প্ৰকৃত ধৰ্ম কিন্তু অপৰিৱৰ্তনশীল সনাতন।

বিশ্বৰ মহাপুৰুষ মহামানৱ সকলে যুগে যুগে সত্য ধৰ্মহে প্ৰচাৰ কৰি আহিছিল। তেওঁলোক যুগস্ৰষ্টা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পাঁচশ বছৰ পূৰ্বে ঘোষণা কৰিছিল -

'প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।'

এই সনাতন, নাৰায়ণ, ব্ৰহ্মা, দৰ্শনৰ বস্তু। এই বিষয়ে বিজ্ঞান নিমাত। গুৰুজনাৰ দৰ্শনত চন্দ্ৰ, সূৰ্যক দেৱতা বুলি পূজা নকৰা চন্দ্ৰ পৃষ্ঠত আজি মানৱৰ পদ চিহ্ন।

মহাপুৰুষ মাধৱদেৱৰ কালজয়ী বাণী অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী। বিজ্ঞানে এখন ব্ৰহ্মাণ্ডৰ ৰহস্যকেই উদ্‌ঘাটন কৰাত ব্যস্ত। দৰ্শনে কিন্তু বিজ্ঞানৰ অগ্ৰগতি নোহোৱা যুগতেই মনেৰে ঢুকি নোপোৱা ব্ৰহ্মাৰ চুৰান্ত মত প্ৰকাশ কৰিছে। যাক আজি প্ৰযুক্তি বিজ্ঞানৰ ক্ৰমোন্নতিয়েও খণ্ডন কৰিব পৰা নাই।

ককা-আজোককা সকলে পালন কৰা শুদ্ধ নীতিসমূহ সম্প্ৰতি অচল হৈ পৰিছে। বজাৰৰ পৰা আহি কাপোৰ তিওৱা, জোতা-চেণ্ডেল পিন্ধি ৰন্ধনশাললৈ নোযোৱা, ৰাতিপুৱাতে উঠি গা-ধোৱা আদি। আনহাতে অন্ধবিশ্বাস কিছুমানক পিতা-আতাৰ দোহাই দি বৰ্তমানেও বৰ্তাই ৰাখিছোঁ। ধৰ্মই কিন্তু সিদ্ধান্ত দিছে-

'ক'ত সন্দমতি শাস্ত্ৰ নকৰে বিচাৰ।
কৰে ধৰ্ম-কৰ্ম পূৰ্বপুৰুষ আছাৰ।।' (ভাগৱত)

সাম্ৰতিক কালত মানৱ সভ্যতাৰ প্ৰগতিৰ পথত মানৱ বিজ্ঞানীয়ে সৃষ্টি কৰিলে যন্ত্ৰমানৱ, দূৰদৰ্শন যন্ত্ৰ, কম্পিউটাৰ আদি আচৰিত যন্ত্ৰ। যি মানৱকৃতি যন্ত্ৰৰ দ্বাৰা ঘৰতে বহি পৃথিৱীৰ দৃশ্যউপভোগ কৰিব পাৰিছে। ঘৰতে বহি পৃথিৱীৰ দৃশ্য উপভোগ কৰিব পাৰিছে। এশ জনৰ কাম অকলে কৰা দেখা গৈছে। সেই উদ্দেশ্যে জীৱশ্ৰেষ্ঠ মানৱক প্ৰকৃতি ৰাজ্যত কোনো -কোনোৱে স্ৰষ্টা আখ্যা দিব খোজে যদিও, গুৰুজনাৰ ভজনীয় দেৱ সেইজনা স্ৰষ্টাহে যিজনা 'স্ৰষ্টাৰো স্ৰষ্টা সৰ্বস্ৰষ্টা সমস্ত জীৱৰ নিয়ন্তা, মৃত্যুৰো অন্তক, স্বামী ইষ্ট দেৱ।'

যন্ত্ৰ মানৱৰ চুইচ্ যেনেদৰে মানুহৰ হাতৰ মুঠিত মানুহৰ ইচ্ছা শক্তিৰ বিষয়ে যেনেদৰে যন্ত্ৰ মানৱ অজ্ঞ, তেনেদৰে অনন্ত, নিৰ্গুণ, নিৰাকাৰ ব্ৰহ্মাৰ বিষয়েও মানৱ অজ্ঞ। তেওঁৰ ওচৰত আমি যন্ত্ৰ মানৱ।

আপততঃ বিজ্ঞানৰ অগ্ৰগতিয়ে, শিক্ষাৰ ক্ৰমোন্নতিয়ে মানুহক এক বুদ্ধিজীৱি, কৌশলী জীৱ হিচাবে গঢ়াতহে ব্যস্ত। বিজ্ঞান আজি মাৰণাস্ত্ৰতত পৰিগণিত।

আগৰ দিনত শিক্ষা যদিও সংকোচিত আছিল, কিন্তু ধ্বংসমুখী নাছিল। আছিল ধৰ্মমুখী। নৰহত্যা আছিল তেতিয়াৰ দিনত মহাপাপ। আজি তাৰ সম্পূৰ্ণ বিপৰীত। লুণ্ঠন, ধৰ্ষণ, শোষণ আদি শব্দৰ সেই সময়ত নামেই শুনা নগৈছিল। আজি নৰহত্যা যেন মহাপুণ্যত পৰিণত হৈছে। বৰ্তমান শিক্ষা পদ্ধতিত পৰমাৰ্থিক আত্মজ্ঞানৰ অভাব তেনেই পৰিলক্ষিত। নহ'লেনো এনে উচ্চ শিক্ষাৰ যুগতো ইমান কটা-কটি, মৰা-মৰি, ঠগ-প্ৰৱঞ্চনা হ'ব পাৰেনে? গুৰু-শিষ্যৰ সম্বন্ধ, পিতা-পুত্ৰৰ স্নেহ, ভাই-ভনীৰ মৰম, সকলো যেন আজি লোপ পাই আহিছে। মানৱ প্ৰেমৰ উপলব্ধি নোহোৱা হৈ পৰিছে। এইবোৰ নিশ্চয় আজিৰ শিক্ষা পদ্ধতিত ধৰ্মক অন্ধ বিশ্বস বুলি জ্ঞান কৰি বিজ্ঞানৰ অগ্ৰগতিৰেই চৰম কু-ফল বুলি ক'লেও বঢ়াই কোৱা নহয়। ধৰ্মক বিজ্ঞান আৰু শিক্ষাৰ সতে যোগসূত্ৰ কৰিব লাগিব। অন্যথাই বাহ্যিক উন্নতি হ'লেও মানৱ প্ৰগতি অধোন্নতিয়েই অৱশ্যম্ভাৱী।

আমি সদায় আনৰ বাহ্যিক ৰূপটোহে অনুকৰণ কৰিবলৈ শিকিলোঁ। আধ্যাত্মিক নহয়।

ধনেই সকলোৰে মূল বুলি ভাবি, সমাজবাদ প্ৰতিষ্ঠা কৰিলে কাৰ্লমাক্সে। ১৮৪৮ চনত ৰচনা কৰিলে অন্য একগ্ৰন্থ 'ডাচকেপিটেল'। কেইখনমান নাট ৰচনা কৰি বিশ্ববিখ্যাত নাট্যকাৰ হ'ল চেক্সপিয়াৰ। 'গীতাঞ্জলি' লিখি ১৯১০ খৃষ্টাব্দত বিশ্বকবি উপাধি পালে ৰবীন্দ্ৰ নাথ ঠাকুৰে। এইবোৰ তেওঁলোকৰ গুণমুগ্ধসকলৰ প্ৰচাৰৰ সুফল নিশ্চয়। কিন্তু অসমবাসীয়ে বিশ্বত প্ৰতিষ্ঠা কৰিব নোৱাৰিলেও শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন আছিল তাৰ বহুত ওপৰত। তেৰাই জানিছিল অকল ধনেই ধৰ্মৰ মূল নহয়। ধন এবিধ অস্ত্ৰহে। অব্যৱহাৰত নিজৰেই সৰ্বনাশ ঘটাব পাৰে। বৰ্তমান তেনে পৰিস্থিতিয়েই পৰিলক্ষিত হৈছে। ধনৰ পৰাই সৃষ্টি হয় ক্ষমতা। ক্ষমতাৰ পৰাই গুৰু গোঁসাই নমনা হৈ পৰে। গুৰুজনাই জানিছিল মনত চাঞ্চল্যৰ সৃষ্টি কৰাই নাটক নহয়। সৰ্বসাধাৰণে নুবুজা অতি কঠিন শব্দৰ বা ভাবৰ সমষ্টিয়েই কবিতা নহয়। যি সাহিত্যই মানুহক সৎ পথেৰে গতি কৰাব নোৱাৰে, সি প্ৰকৃত সাহিত্য হ'ব নোৱাৰে। তেৰাৰ দৰ্শন আছিল ঈশ্বৰ দৰ্শন। সেয়ে গুৰুজনাৰ সকলোবোৰ লিখনিতেই পৰিস্ফুত হৈ উঠিছে, মানুহক ঈশ্বৰ মুখী কৰাৰ মূল লক্ষ।

গুৰুজনাৰ বিজ্ঞান আছিল কল্যানমুখী, গঠনমুখী।

ধ্বংসমুখী নহয়। খোৱা, লোৱা, মাত-বচন, শৌচাচাৰ, সদাচাৰ আদি সকলোতেই বিজ্ঞানৰ মূল সূত্ৰ নিহিত হৈ আছে। যিবোৰ দ্ৰব্যৰে তেৰাই প্ৰসাদৰ সৃষ্টি কৰিলে, সেই দ্ৰব্যসমূহ পৃঠক-পৃঠককৈ বিজ্ঞানাগাৰত পৰীক্ষা কৰি চালে প্ৰত্যেকতে মূল খাদ্যপ্ৰাণ নিহিত হৈ থকা দেখিবলৈ পোৱা যায়।

শ্ৰীমন্ত শংকৰদেৱে সাহিত্য ৰচনা কৰিছিল, মৌমাখিয়েই ৰস গোটাই মৌচাক সজাৰ দৰে বিভিন্ন জাতি গোষ্ঠীৰ শব্দমালা সংগ্ৰহ কৰি সহজ-সৰল ভাষাত। উচ্চ-নীচৰ প্ৰাচীৰ ভাঙি দি এক মানৱজাতি গঠন কৰাই আছিল, তেৰাৰ সাহিত্যৰ মূল উদ্দেশ্য। গুৰুজনাৰ আদৰ্শ সমাজবাদ, মানৱতাবাদ, অতিক্ৰম কৰি জীৱবাদলৈ উন্নীত হৈছে। 'কুকুৰ চণ্ডাল গৰ্দভৰ আত্মাৰাম।' গুৰুজনাই এবাৰ ভকত সমন্বিতে তীৰ্থ পৰ্যটনৰ পথত ব্যাধৰ ফাণ্ডত লাগি থকা হৰিণ এটি দেখি আধলি এটা থৈ হৰিণটো মোকোলাই দিলে। হৰিণ মৃত্যুৰ পৰা সাৰিল, ব্যাধেও পাৰিশ্ৰমিক পালে। তেৰাৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱেও এদিন ভৰা নাওত উঠি ভকতৰ সৈতে গৈ থাকোঁতে নদীৰ পাৰত বৈ থকা দুজন ভকতে ক'লে -'বাপ আমাকো নিবপাৰিবনে? আনবোৰ ভকতে কিছু ইতস্তঃ কৰিছিল যদিও মাধৱদেৱে ভৰানাওৰ পৰা কাপোৰৰ জাপা দুটামান পানীত পেলাই দি ভকত দুজনক তুলি ল'লে। ইয়াতকৈ সমাজবাদ বা মানৱতাবাদ আৰু কি হ'ব পোৰে।

মানুহ গতিশীল জীৱ। গতিৰ পৰা প্ৰগতিলৈ, অনুন্নতৰ পৰা উন্নতলৈ ধাবিত হোৱাই মানুহৰ ধৰ্ম। ইয়াৰ পৰাই গঠন হৈছে সমাজ গঠন হৈছে জাতিৰ। অনাৰ্যৰ পৰা প্ৰগতি হয় আৰ্যলৈ। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰও গুণ আৰু কৰ্মৰ দ্বাৰাহে ভাগ কৰা হৈছে।

আদিতে মানৱ সমাজত কোনো জাতিগত প্ৰথা নাছিল। কালক্ৰমত আৰ্যসভ্যতাৰ হেঁচাত ভাগ ভাগ হ'ল। পূজা-পাতাল কৰা সকলক ব্ৰাহ্মণ, যুদ্ধ-বিগ্ৰহ কৰাসকল ক্ষত্ৰিয়, বেহা-বেপাৰ কৰাসকলক বৈশ্য আৰু বাকীসকলক উক্ত তিনি শ্ৰেণীৰ লোকক সেৱা-শুশ্ৰূষাৰ ভাৰ দি শূদ্ৰ বা অনুন্নত শ্ৰেণী বুলি আখ্যা দিয়া হৈছিল। এয়ে জাতি গঠনৰ প্ৰথম প্ৰক্ৰিয়া।

কালক্ৰমত এইসকলোবোৰ বালিৰ বান্ধ খহি যাবলৈ ধৰিলে। ব্ৰাহ্মণৰ ল'ৰাই যুদ্ধ-বিগ্ৰহ আৰু বেহা-বেপাৰ কৰিবলৈ ধৰিলে। বৈশ্যৰ ল'ৰাই যুদ্ধ কৰিব পৰা হ'ল। কিন্তু শূদ্ৰই সকলো কাম কৰিব পাৰিলেও ধৰ্ম কাৰ্য অধিকাৰী হ'ব নোৱাৰিলে। আনকি ধৰ্মীয় স্থানত বহাৰ পৰাও বঞ্চিত কৰি ৰখা হ'ল। তেওঁলোকক চুলে গা ধুৱ লগা হ'ল। একেলগে খালে প্ৰায়শ্চিত্তৰ ব্যৱস্থা আছে। এইলোক সকলোৱে কিছুমানক "জনজাতি' নামকৰণ কৰিলে।

'জনজাতি'ৰ অৰ্থ কি বাৰু? আভিধানিক মতে 'জন' মানে মানুহ আৰু 'জাতি' মানে সংগোত্ৰীয় লোক। অৰ্থাৎ আমি জন্মতে সকলোৱেই জনজাতি বা মানৱ জাতি।

অধুনা সমাজত বড়ো, কছাৰী, মৰান, চুতীয়া, মিৰি, আৰব, কোচ, কলিতা, ব্ৰাহ্মণ, গোঁসাই আদি যিমানবোৰ দেখিবলৈ পোৱা যায় সকলোৱেই এক ইতিহাস বা কিংবদন্তি আছে আৰু নিজৰ অভিৰুচি মতে বিভিন্ন ধৰ্মৰ সৃষ্টি কৰি লৈছে।

ধৰ্ম শাস্ত্ৰ বা ইতিহাসত পোৱা যায় যিসকলক আজি জনজাতি বুলি পিছপেলাই থোৱা হৈছে। তেওঁলোক হ'ল পৰম বৈষ্ণৱ দ্বিতীয় পাণ্ডৱ ভীমৰ বংশধৰ। মহাভাৰতত উল্লেখ আছে বড়ো ৰজা ভগদত্তৰ কন্যা ভানুমতীক কৌৰৱ কুলৰ দুৰ্যোধনে বিয়া কৰাই জাতিভেদৰ প্ৰাচীৰ তাহানিতেই ভাঙি দি গৈছে। ভগদত্তৰ পিতৃ নৰকাসুৰ স্বয়ং বৰাহৰূপী বিষ্ণুৰ পুত্ৰ। মাক বসুমতী। গতিকে প্ৰমাণ হয় যে, জনজাতি সকল পৰম বৈষ্ণৱ মানৱ জাতি বা জনজাতি।

অতীতৰ এক শ্ৰেণী বুদ্ধিজীৱিয়ে প্ৰাচীন কামৰূপৰ বা প্ৰাগজ্যোতিষপুৰৰ ৰজা সকলক অনাৰ্য অসুৰ আদি নামেৰে বিভূষিত কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এনে অন্যায়ৰ বিৰুদ্ধে প্ৰথম আন্দোলন কৰি জাতি গোষ্ঠীৰ বেৰখন ভাঙি দি খণ্ডিত হোৱা মানৱ জাতি পুণৰ সংস্থাপন কৰি, এন্ধাৰ আদিমৰ পৰা আধুনিকতাৰ পোহৰলৈ পথ প্ৰদৰ্শকৰূপে আগবঢ়াই আনিলে।

যজুৰ্ব্বেদত (৩০-১৬) যিসকলক কীৰাট আখ্যা দি গুহাবাসী ম্লেছ, তুৰুক, অসম, ৰজক আদি নামকৰণেৰে পিছ পেলাই ৰাখিছিল গুৰুজনাই সেই সকলক প্ৰকৃত মানৱতাৰ মৰ্যদা দি ঈশ্বৰৰ ওচৰলৈ আনি ভকত কৰিছে-

'কিৰাট কাছাৰী খাসী গাৰো মিৰি যবন কংক গোৱাল।
অসম মলুক ৰজক তুৰুক কুবাচ ম্লেছ, চণ্ডাল।।
আনো যত নৰ কৃষ্ণ সেৱকৰ সংগত পৱিত্ৰ হয়।
ভকতি কৰিয়া সংসাৰ তৰিয়া বৈকুণ্ঠে সুখে চলয়।।'(৪৭৪ ভাঃ)

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে কৈছিল - 'বড়ো কছাৰী সকল শংকৰদেৱৰ জোঁৱাই। যিহেতু হাড়ীয়া মণ্ডলৰ বংশধৰ নৰনাৰায়ণ চিলাৰায়ৰ গুৰিগচা মেচ বা বড়ো কছাৰীৰ পৰাই অহা। ৰামৰায়ৰ কন্যা ভূৱনেশ্বৰীক চিলাৰায়ে বিয়া কৰাই সেইদিনতে জাতিৰ বান্ধ চিঙি দিছিল।

প্ৰাচীন কামৰূপ ৰাজ্য ৰত্নপীঠ, কামপীঠ, কামপীঠ, স্বৰ্ণপীঠ, সৌমাৰপীঠ নামেৰে চাৰিভাগত বিভক্ত আছিল।